


সিহঁতৰ নিৰ্ম্মম নগ্নতা ঢাকি
মাৰ যোৱা বাস্তৱৰ আন্ধাৰত তৰে
সৌন্দৰ্য্যৰ মৰীচিকাময় জিলমিল চিকুণ সপোন . . .



# মোৰ পৃথিৱী

শ্যামলী চেতিয়া, স্নাতক তৃতীয় বৰ্ষ

মনত পৰিলে এতিয়াও বুকুখন
মোচৰ খাই উঠে ভাড়া ঘৰলৈ
অহা পাঁচমাহৰ পাছত যেতিয়া
প্ৰথম বাৰ গাঁৱলৈ গৈছিলোঁ
তেতিয়া গাঁওখনত উন্নতিৰ নামত
হোৱা উচ্ছৃংখল পৰিৱেশ দেখি।
আচলতে গাঁৱৰ পৰা আঁতৰত থকা
সময়ত মোৰ বাবে গাঁৱৰ প্ৰতিটো
বস্তুৱেই আপোন হৈ পৰিছিল। কিন্তু
গাওঁখনৰ সেউজীয়া সুস্থ
পৰিৱেশটো মোক আদৰিবৰ কাৰণে
ৰৈ থকা নাছিল !

**(১) ভগৱান আৰু মানৱতা ঃ**

কলেজৰ পৰা আহি থাকোঁতে সিদিনা ৰাস্তাত দেখিলোঁ বৰষুণত তিতি জুৰুলি-জুপুলি হৈ থকা এটা কণমানি মেকুৰী পোৱালী। পথৰ দাঁতিত সি হয়তো মাকক বিচাৰি কান্দি আছিল। তাৰ ক্ষীণকায় অৱস্থা দেখি গম পাইছিলোঁ সি অনাহাৰত আছে। চেঁচা বতাহজাকে তাক কঁপাই তুলিছিল। খুব মন গৈছিল এবাৰ তাক কোলাত তুলি উম দিবলৈ অথচ ওচৰ পোৱাৰ লগে লগে অসহায় মেকুৰী পোৱালিটোক অগ্ৰাহ্য কৰি কাষেৰে খৰখোজেৰে পাৰ হৈ আহিলোঁ। অপৰাধ বোধত ভূগিছো। ভীষণ নিষ্ঠুৰ! দুচকু মুদ খাই আহিলে – "ভগৱান তাক দয়া কৰা"! হৃদয়হীন আন পথিকৰ দৰে মইও পাৰ হৈ আহিলোঁ। হয়তো কোনোৱে তাক দেখাও নাই। ঘৰ পালোঁহি কিন্তু কিয় জানো তাৰ কাতৰ মাতষাৰ মনৰ মাজৰ পৰা আঁতৰি যোৱা নাই আন পথিকেও

মোৰ দৰে আনে সহায় কৰক বুলি আঁতৰি গৈছে নেকি ? সি বাৰু বোজা নেকি ? অবোধ মেকুৰী পোৱালিটো ?

**(২) মোৰ পৃথিৱী ঃ**

এতিয়াও খেদি ফুৰে মোক সেইখন পৃথিৱীৰ নিৰ্জনতাই। দি থৈ যায় এবুকু বিষাদ ভৰা সুখ! মুকলি পথাৰ এখনত এপতা পানীত মই দৌৰি ফুৰিছোঁ সৰু ছোৱালীৰ দৰে! গৈ গৈ এখন বনৰীয়া ফুলেৰে ভৰি থকা বিশাল ফুলনি পালোঁগৈ! উৰি ফুৰিছিল সৰু সৰু পখিলা আৰু চৰাইবোৰ ! সপোনত দেখা সেই নিৰ্জন পৃথিৱীখনে এতিয়াও মোৰ স্পৰ্শকাতৰ মনটোক টানি লৈ যায়।

ঃ অ' মা, এইজনীয়ে পঢ়াৰ নামত নাটক লিখি আছে . . .

পঢ়া টেবুলৰ পাছফালে মনে মনে মোক চাই থকা বায়ে মাক চিঞৰা শুনি খপজপকৈ অনুভৱ লিখা বাদ দি 'সমাজ অধ্যয়নৰ' পাঠ এটা উলিয়াই চিঞৰি চিঞৰি পঢ়িছিলোঁ। শৈশৱৰ এই দিনবোৰৰ কথা মনত পৰিলে মনটো উৰি যায় অতীতলৈ। মনত পৰিলে এতিয়াওঁ হাঁহি উঠে এম.ই. স্কুলত ইংৰাজীত ত্ৰিছ নম্বৰ পোৱাৰ বাবে মায়ে গৰুপিটন দিছিল আৰু সেইদিনা মোৰ মা আচলতে মাহীমা বুলি কান্দি-কাটি চিঠি লিখিছিলোঁ। এইখন চিঠি উদ্ধাৰ কৰি মায়ে পুনৰ খেদি লৈ ফুৰিছিল গোটেই পাছফালৰ বাৰীখন!



মনত পৰিলে এতিয়াও বুকুখন মোচৰ খাই উঠে ভাৱা ঘৰলৈ অহা পাঁচমাহৰ পাছত যেতিয়া প্ৰথম বাৰ গাঁৱলৈ গৈছিলোঁ তেতিয়া গাওঁখনত উন্নতিৰ নামত হোৱা উচ্ছৃংখল পৰিৱেশ দেখি। আচলতে গাঁৱৰ পৰা আঁতৰত থকা সময়ত মোৰ বাবে গাঁৱৰ প্ৰতিটো বস্তুৱেই আপোন হৈ পৰিছিল। কিন্তু গাওঁখনৰ সেউজীয়া সুস্থ পৰিৱেশটো মোক আদৰিবৰ কাৰণে ৰৈ থকা নাছিল। বৰদেউতাৰ ছোৱালী দৰদীয়ে কোৱা কথাষাৰ মনত পৰিল – "যাদুৰ কাঠিৰে পৰাহ'লে মই পৃথিৱীখন সুন্দৰ কৰি তুলিলোঁহেঁতেন!"

**(৩) শেৱালি ফুলৰ দৰে ঃ**

"নতুন কিতাপ এখন ওলাইছে, অনুৰাধা শৰ্মা পূজাৰীৰ উপন্যাস "ৰাগ-অনুৰাগ" পঢ়িবিছোন। অনুৰাগ এটাই নিচুকাই যায় কান্দোন, হৈ . . .!" - বজাৰত নতুন কিতাপ ওলালেই মোক জনায় এই বন্ধুজনে। মোৰ মনৰ দুৰ্বলতাখিনি আঁতৰাবলৈ চেষ্টা কৰে। মই আত্মবিশ্বাসহীন, বাস্তৱক, ভয় কৰোঁ বুলি কয়। মোৰ মনৰ সৰু জগতখনৰ পৰা ওলাই আহিবলৈ কয়। কেতিয়াবা ধেমালি কৰে,

ঃ চুলি নাকাটিবি দেই, কাইলৈ পৰহিলৈ আনৰ ঘৰত চোতাল সাৰিবলৈ . . . যাবি, খোপা এটা নাথাকিলে বেয়া লাগিব নহয়!

মই হাঁহিলো খুউব। এদিন মোক বুজি পাওঁ বুলি কোৱা এইজন বন্ধুৰ কাৰণেই এদিন মই হৈ পৰিলোঁ – অবিশ্বাসী, স্বাৰ্থপৰ! কেৱল তেওঁৰ ভালপোৱাক স্বীকৃতি নিদিয়া কাৰণেই! মোৰ আকলুৱা মনটো . . .ধৰফৰাই উঠিছিল। মোৰ মনৰ ঠেক জগতখনৰ পৰা বাহিৰৰ বিশালতাৰ খিনিৰ লগত চিনাকি কৰি এৰি থৈ যোৱা সেই বন্ধুজনৰ অভাৱ অনুভৱ কৰোঁ এতিয়াও। নাজানোঁ তেওঁ এতিয়া ক'ত। সেইদিনাৰ পৰাই যে তেওঁ ঠিকনাবিহীন হৈ পৰিছিল বাহিৰৰ বহল জগতখনত। মই পুনৰ কুৰুকি কুৰুকি সোমাই গ'লোঁ মোৰ ঠেক জগতখনলৈ। এতিয়া, মই আন্ধাৰত কান্দিলেও সান্ত্বনা দিবলৈ নাহে তেওঁ। তেওঁৰ শেৱালি ফুল প্ৰিয় আছিল। এতিয়াও মোৰ ডায়েৰীৰ মাজত তেওঁ দি থৈ যোৱা দুপাহ শেৱালি ফুল সোমাই আছে। শুকাই যোৱা ফুলদুপাহৰ বিষাদভৰা সুগন্ধ এটাই মনটো এতিয়াও চুই যায় . . .

**(৪) মৰমৰ ছিছিলিয়া ঃ**

তাইৰ উদ্ধত ধৰণ-কৰণবোৰ দেখি কোনেও ভাল ছোৱালী নুবোলে। কিন্তু মইহে জানোঁ তাই হেৰুৱা নাই কি? মাকৰ মৰম তাইৰ ভাগ্যত নাছিল। দ্বিতীয় বিবাহ কৰোৱা দেউতাকেও পাহৰি গ'ল পিতৃত্বৰ চেনেহ। তাইক জীয়াই থকাৰ প্ৰেৰণা দিয়া ভালপোৱাজনেও শেষমুহূৰ্তত ভিন্ন জাতিৰ দোহাই দি আঁতৰি গ'ল। মোৰ বুকুৰ মাজত ৰি-ৰিয়াই এতিয়াও বাজি থাকে তাইৰ বুকুৰ যন্ত্ৰণাৰ গুঞ্জন। দেউতাকে ঠিক কৰি দিয়া ল'ৰাজনৰ লগত যিদিনা তাইৰ বিয়া হৈছিল সেইদিনা মোক সাবটি চিঞৰি চিঞৰি কান্দিছিল তাই আৰু মই মোক ধৰি ৰাখিব নোৱাৰিলোঁ। ইমানদিনে বুকুত থূপ খাই থকা সকলো যন্ত্ৰণা যেন হিয়া উজাৰি ওলাই আহিল কান্দোন এটা হৈ . . . !❖

# নতুন দিল্লীৰ ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ কৰ্মশালাৰ
## - এক সুখময় অভিজ্ঞতা

অভিলাষ বৰঠাকুৰ, *স্নাতক প্ৰথম বৰ্ষ*

অভিনয়ৰ নামটো শুনিলেই সৰুৰে পৰা মোৰ মন উৎফুল্লিত হৈ উঠে। অভিনয় মই ভাল পাওঁ আৰু শ্ৰদ্ধা কৰোঁ। নাটক কৰি ভাল পাওঁ, নাটক চাই ভাল পাওঁ। নাটক এনেকুৱা এক বৃহৎ বিষয় যাক শিকি শেষ কৰিব নোৱাৰি। ইয়াৰ বিষয়ে চমুকৈ ক'বলৈও টান। নাটক এবিধ যৌগিক কলা।

যোৱা ৩ মে ২০০৯ চনৰ পৰা গুৱাহাটীৰ অনুভৱ আৰু ব্ৰহ্মপুত্ৰৰ সহযোগত মাৰ্ঘেৰিটা মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ ৪৫ দিনীয়া আবাসিক নাট্য কৰ্মশালা অনুষ্ঠিত হয়। এই কৰ্মশালাৰ প্ৰশিক্ষাৰ্থী হোৱাৰ সুযোগ পাইছিলোঁ। মনত উৎসাহ, বিভিন্ন প্ৰশ্নই মোক আবৰি ধৰিছিল যেনে কৰ্মশালা কেনেকুৱা হ'ব, বন্ধু-বান্ধৱ কেনেকুৱা হ'ব, ইত্যাদি। আগতে নাটকৰ বিভিন্ন কৰ্মশালা কৰিছোঁ যদিও এই কৰ্মশালাত মই যিখিনি পালোঁ সেইখিনি মই কেতিয়াও পাহৰিব নোৱাৰিম। নাটক কৰিবলৈ কঠোৰ সাধনাৰ প্ৰয়োজন, পৰ্যবেক্ষণ, ধৈৰ্য্য আৰু একাগ্ৰতাৰ প্ৰয়োজন, ই কোনো খুহুতীয়া বিষয় নহয়। এই কৰ্মশালাত মোৰ অসংখ্য অভিজ্ঞতা হ'ল যাক লিখি লিখিও শেষ কৰিব নোৱাৰিম।

এই কৰ্মশালাত গম পালোঁ যে Rhythm বা তাল আচলতে কি ? আমি নিজৰ দৈনন্দিন জীৱনত কিমান ভুল কৰোঁ, ভুলকৈ খোজ কাঢ়োঁ। Body Flexibility আৰু Concentration ৰ বিভিন্ন খেল খেলিলোঁ। নাটকৰ কাৰণে এক সুস্থ শৰীৰ লগতে সুস্থ মনৰ প্ৰয়োজন। এই কৰ্মশালাত Yoga, Body Movement আৰু Voice ৰ বিভিন্ন খেল খেলিলোঁ।

Craft ৰ কাম শিকিলোঁ। মানুহৰ মুখা, ৰজাৰ মুকুট, গছ, কাউৰীৰ মুখা আদি সাজিবলৈ শিকিলোঁ।

নাটক আৰু চলচ্চিত্ৰৰ লগত জড়িত বিভিন্ন ব্যক্তিক লগ পালোঁ। অসমৰ জনপ্ৰিয় কৌতুক গোষ্ঠী 'খিচিৰি'ৰ Team টোক লগ পালোঁ। হিন্দী বোলছবিৰ লগত জড়িত ব্যক্তি লগ পালোঁ।

অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গৰ সহধৰ্মিণী গৰিমা শইকীয়া গাৰ্গ (আমি বৌ বুলি মাতিছিলোঁ) ক লগ পালোঁ। তেখেতে আমাৰ কৰ্মশালাৰ অন্তত কৰা নাটক 'খণ্ড-ভূতকাণ্ডৰ' Costume Design কৰিছিল। আমি তেখেতক জুবিনদাৰ বিষয়ে কত যে প্ৰশ্ন কৰিলোঁ। তেখেতে প্ৰতিটো প্ৰশ্নৰ হাঁহিমুখে উত্তৰ দিছিল।

ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ স্নাতক তথা আমাৰ পৰিচালক শ্ৰীযুত জ্যোতি নাৰায়ণ নাথ ডাঙৰীয়াই অশেষ কষ্ট স্বীকাৰ কৰি আমাক নাটকৰ যোগেদি জীৱনৰ সৎ পথত আগবাঢ়ি যাবলৈ উদ্গনি যোগালে। তেওঁৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰ'ম।

এই কৰ্মশালাৰ এক সফল ৰূপায়ণ হ'ল ৰাছিয়ান গল্পকাৰ লিও টলষ্টয়ৰ এটি বিখ্যাত গল্পৰ অসমীয়া অনুবাদ নাটক 'খণ্ড-ভূত-কাণ্ড' নাটকখন মঞ্চস্থ কৰাত কৰ্মশালাৰ সঞ্চালক জ্যোতিনাৰায়ণ আৰু বিশিষ্ট ব্যক্তিৰ অৰিহণা উল্লেখযোগ্য।

এই কৰ্মশালাই মোৰ Confidence বঢ়ালে। কৰ্মশালালৈ অহাৰ আগত মই কি আছিলোঁ আৰু আজি কি নিজকে অনুভৱ কৰিব পাৰিছোঁ। এই কৰ্মশালাই মোৰ ব্যক্তিত্বৰ বিকাশ ঘটালে বুলি ধাৰণা কৰিব পাৰিছোঁ।

এই কৰ্মশালাত পোৱা তিতা-মিঠা অভিজ্ঞতা মোৰ জীৱনত চিৰযুগমীয়া এক স্মৃতি হৈ ৰ'ব।❖

# মোৰ দৃষ্টিত কানৈ মহাবিদ্যালয়

## ঃ কিছু অনুভৱ

ভূৱনজ্যোতি বৰুৱা, *কলেজ কৰ্মচাৰী*

**আগকথা ঃ**

সিদিনা হঠাৎ ২০০৮-০৯ বৰ্ষৰ 'কানৈয়ান'ৰ সম্পাদক বিভূতিয়ে আহি কলেহি, "ভূৱনদা, প্ৰতিসংখ্যাৰ কানৈয়ানৰ পাতত অধ্যাপক সকলৰ লেখনী থাকেই। গতিকে এইবাৰ মই কানৈয়ানত কৰ্মচাৰী সকলৰ ফালৰ পৰাও এটা লেখনী প্ৰকাশ কৰিব বিচাৰিছোঁ। অধ্যক্ষ ছাৰক এইবিষয়ে কোৱাত ছাৰে আপোনাৰ কথা ক'লে। গতিকে কলেজখনৰ বিভিন্ন দিশ সামৰি আপুনি লেখা এটা দিলে সুখী হম।"

**কিছু ব্যক্তিগত ঃ**

তেওঁ মোৰ পৰা গল্প নতুবা কবিতা এটা বিচৰা হ'লে কোনো কথা নাছিল। কিন্তু কলেজখনৰ বিভিন্ন দিশ সামৰি লিখা এটা লেখা। কিছু বিবুধিত পৰিলো। কি লিখিম ? কি কি দিশ সামৰিম ?

কথাবোৰ ভাৰি থাকোতে মনলৈ আহিল মোৰ প্ৰিয় অভিনেতা ছানী দেউল অভিনীত INDIAN নামৰ ছবিখনৰ এটা দৃশ্য। য'ত নেকি কথাই প্ৰতি নিজকে এজনা বিয়াগোম ৰাজনীতিবিদ বুলি জাহিৰ কৰি ফুৰা ব্যক্তিক আৰক্ষী বিষয়াৰূপী ছানী দেউলে সুধিছিল, "এই দেশৰ জনসংখ্যা কি মান ? দেশৰ মুঠ মাটিকালি কিমান ? আমাৰ সংস্কৃতি কি ? ভাষা কি ?"


প্ৰত্যুত্তৰত সেই ৰাজনীতিবিদ জনে মাথোঁ কৈছিল, 'মালুম নেহী' অৰ্থাৎ নাজানো। আমিবোৰো জানো সেই পথৰেই পথিক নহয় ? ১১বছৰ পাৰ হ'ল। ইয়াত চাকৰি কৰা। অথচ চাকৰি কৰি মাহেকীয়া দৰমহা কেইটা লোৱাৰ বাদে এই মহাবিদ্যালয়খনৰ বিষয়ে মই যে সঁচাকৈ একোৱে নাজানিলো। জানিবলৈ চেষ্টা নকৰিলোঁ। ইয়াৰ ইতিহাস, ভৌগোলিক পৰিসীমা, শৈক্ষিক-বৌদ্ধিক দিশৰ অৱদান তথা এই মহাবিদ্যালয়ৰ স্থাপনৰ সতে জড়িত নমস্য ব্যক্তিসকলৰ বিষয়ে মই এক কথাত অজ্ঞ। তথাপি মোৰ সীমিত জ্ঞানেৰে মহাবিদ্যালয়খনৰ কেইটামান দিশ সামৰি লেখাটো সম্পূৰ্ণ কৰাৰ প্ৰয়াস কৰিলোঁ।

**তেতিয়া আৰু এতিয়া ঃ**

কানৈ মহাবিদ্যালয়ত চাকৰি কৰা ১১ বছৰ পাৰ হৈছে যদিও এই মহাবিদ্যালয়ৰ সতে মোৰ সম্পৰ্ক তাতোকৈ পুৰণি। ১৯৯০ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষা পাছ কৰি মই ইয়াৰ বিজ্ঞান শাখাত নামভৰ্ত্তিৰ বাবে প্ৰ-পত্ৰ দাখিল কৰোঁ। অৱশ্যে ছিট পোৱা সত্বেও পাছত কাষৰীয়া কানৈ বাণিজ্য মহাবিদ্যালয়ত নামভৰ্তি কৰোঁ। মোৰ স'তে একেলগে হাইস্কুল শিক্ষান্ত পৰীক্ষা পাছ কৰা কেইবাগৰাকীও সহপাঠী এই মহাবিদ্যালয়তে কলা শাখাত নাম ভৰ্তি কৰে। কলা শাখাৰ ১ম বাৰ্ষিকৰ ক্লাছবোৰ তেতিয়া প্ৰায়ে ১ম মহলাৰ ৮নং কোঠাত হয়। অফ্ পিৰিয়ড্ত নতুবা আজৰি পৰত কৰ্মাচ কলেজৰ সন্মুখত থকা ল'নখনৰ ৰেলিঙত বহু তেতিয়া এই ৮ নম্বৰ কোঠালৈকে বাৰে বাৰে চাওঁ। কিজানিবা খিৰিকীৰ ফাঁকেদি কোনোবা সহপাঠীক দেখা পাওঁ।

কেতিয়াবা তেওঁলোকক লগ ধৰিবলৈ কানৈ কলেজলৈ আহোঁ। লালচান্দ কানৈ প্ৰেক্ষগৃহত অনুষ্ঠিত বাৰ্ষিক সংগীত প্ৰতিযোগিতা, পিছফালৰ মুকলি ঠাইখিনিত অনুষ্ঠিত বিভিন্ন ক্ৰীড়া প্ৰতিযোগিতাসমূহ প্ৰায়ে উপভোগ কৰো।

M.Com. Final Year অত থকা সময়তে কাকতত এটা বিজ্ঞাপন পালোঁ। কানৈ মহাবিদ্যালয়ত খালী হৈ এটা



Accounts Assistant পদৰ বাবে Accountancy ত সন্মানসহ B.Com. পাছ প্ৰাৰ্থীৰ আৱশ্যক। সময়ত আবেদন কৰিলোঁ।

সাক্ষাৎকাৰৰ বাবে আমন্ত্ৰণ পত্ৰ পালোঁ। সাক্ষাৎকাৰৰ তাৰিখ ২৬ এপ্ৰিল, ১৯৯৮ চন। সেইদিনাই অসম আৰক্ষীৰ পদৰ বাবে সাক্ষাৎকাৰ অনুষ্ঠিত হৈছিল ডিব্ৰুগড় পুলিচ ৰিজাৰ্ভত। মোৰ হাতত দুখন কলিং লেটাৰ। কোনটো সাক্ষাৎকাৰত বহিম ঠিৰাং নকৰাকৈয়ে হাতত দুয়োখন কলিং লেটাৰ লৈ ঘৰৰ পৰা ওলাই আহিলো। আধাবাটত সিদ্ধান্ত ললোঁ, কানৈ কলেজৰ ইণ্টাৰভিটিটোত বহাই যুগুত হ'ব। কিয়নো চকুত পাৱাৰফল চশ্‌মা, ক্ষীণ-মীন স্বাস্থ্যৰ মই আৰক্ষী চাকৰিৰ বাবে যোগ্য নহয়।

ইণ্টাৰভিউ দি ঘৰলৈ উভতিলোঁ। সকলো পাহৰি পেলালো। এদিন বাটত লগ পাই চিনাকি এজনে ক'লে, 'তোমাক লাহোৱাল কলেজৰ অধ্যক্ষ জ্যোতি দত্তই লগ ধৰিবলৈ কৈছে।" সেই সময়ত মই 'দৈনিক জমনভূমি' কাকতত লাহোৱালস্থ সংবাদদাতা ৰূপে সেৱা আগবঢ়াই আছিলো। ভাবিলো, তেওঁ চাগে বা-বাতৰিৰ সংক্ৰান্ততেই মোক বিচাৰিছে। এদিন পাছত লগ ধৰিলোঁ। তেওঁ ক'লে, 'তোমাৰ চাকৰি হৈছে, কানৈ কলেজত। গতিকে আজিয়েই অধ্যক্ষক লগ ধৰা।"

আজিৰ দৰে সেই সময়ত Mobile Phone ৰ প্ৰচলন নাছিল। গতিকে চাকৰিৰ খবৰটো মোক সেই সময়ৰ অধ্যক্ষ ড০ শিৱ দত্ত ছাৰে তেওঁৰ ভতিজাক জ্যোতি প্ৰকাশ দত্তৰ জৰিয়তে খৰতকীয়াকৈ পঠাইছিল। ড০ দত্ত ছাৰক লগ ধৰিলো। এই মহাবিদ্যালয়ৰ তেতিয়াৰ গাণনিক (বৰ্তমানেও) অৰ্জুন চাহুৰ সহযোগত DHE ৰ পৰা যাৰতীয় কামখিনি কৰি অটাই ২৮ মে' ১৯৯৮ ত মই Accounts Assistant হিচাপে ইয়াত যোগদান কৰো।

## শিক্ষক-কৰ্মচাৰীৰ সম্পৰ্কঃ

যিদৰে বিভিন্ন প্ৰশাসন যন্ত্ৰৰ মাজত সু-সমন্বয় নাথাকিলে চৰকাৰ এখনৰ কাৰ্য্য পৰিচালনা সঠিকভাৱে আগনাবাঢ়ে, সিদৰে শিক্ষক-কৰ্মচাৰীৰ মাজত সমন্বয়ৰ অভাৱে মহাবিদ্যালয় এখনৰ শৈক্ষিক-প্ৰশাসনিক কাম-কাজত ব্যাঘাত আনে। সুখৰ বিষয় যে, আমাৰ মহাবিদ্যালয়ত এতিয়াও এনে এক পৰিবেশে গা কৰি উঠা নাই। আমাৰ শিক্ষক-কৰ্মচাৰীসকলৰ সম্পৰ্ক জেষ্ঠ-কণিষ্ঠ ভাতৃৰ দৰেই বিৰাজমান। কাৰ্য্যালয়ৰ প্ৰয়োজনত আমি সততে তেখেতসকলৰ পৰা বিভিন্ন তথ্য পৰামৰ্শ আহৰণ কৰি লওঁ। তেনেদৰে আমিও তেখেত সকলৈ প্ৰয়োজন অনুপাতে পাৰ্য্যমানে সহযোগিতা আগবঢ়াওঁ।

আমাৰ শিক্ষক-কৰ্মচাৰী সকলৰ এই সম্পৰ্কবোৰ অধিক প্ৰকট হৈ উঠে যেতিয়া ড০ পৰেশ বৰুৱা ছাৰে নিজে অফিচত বহি Physics অত মেজৰ লোৱা ছাত্ৰ-ছাত্ৰীসকলৰ নামবোৰ কাগজ এখিলাত টুকি লৈ যায়। বিষয় সলনি কৰা ছাত্ৰ-ছাত্ৰীসকলৰ নাম তালিকা ড০ আতিকুদ্দিন ছাৰে নিজে আহি অফিচত দি যায়, খবৰ দিয়া মাত্ৰকে মাহেলা ছাৰে কম্পিউটাৰৰ ফাইলবোৰ ঠিক-ঠাক কৰি যায়, Non-collegiate Students ৰ বিভাগীয় লিষ্টবোৰ অনন্ত ছাৰে নিজহাতে মোৰ পৰা লৈ গৈ NC ৰ Final Listখন উলিয়ায়। ড০ ভাৰতী বাইদেউ, ড০ উষা বাইদেউ, ড০ মিনু বাইদেউ, ড০ অঞ্জলি বাইদেউৰ সহযোগিতাও জানো কম উল্লেখনীয় নহয়।

কেৱল এয়াই নহয়, ৰাস্তা-ঘাটে, বজাৰে-সমাৰে পৰস্পৰে পৰস্পৰৰ খবৰ বাতৰি লোৱা, মৃতকৰ শ্ৰাদ্ধ, বিয়া-বাৰু আদিতো পাৰস্পৰিক উপস্থিতি এক বিশেষ মাদকতাপূৰ্ণ বিষয়।

## কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ সম্পৰ্কঃ

শিক্ষাদানৰ বাদে নামভৰ্তিৰ পৰা আৰম্ভ কৰি পৰীক্ষাত উত্তীৰ্ণ হোৱাসকলক প্ৰমাণ পত্ৰ বিলি কৰালৈকে যাৱতীয় সকলো কাম-কাজৰ বাবে কৰ্মচাৰীসকল দায়বদ্ধ। এই দায়িত্ব পালন কৰাত আমাৰ কৰ্মচাৰীসকলে কৃপণালি কৰা নাই বুলিয়েই মোৰ দৃঢ় ধাৰণা। ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন সমস্যা সাধ্যানুসাৰে তাৎক্ষণিকভাৱে সমাধান কৰাত আমি সদা আগ্ৰহী। আমাৰ বিভিন্ন পদক্ষেপত ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগিতাও অনস্বীকাৰ্য্য। যাৰ বাবে নেকি এই মহাবিদ্যালয়ৰ কৰ্মচাৰী-অধ্যয়নৰতৰ সম্পৰ্কটো সুস্থিৰভাৱে বৰ্তি আছে।

অৱশ্যে কেতিয়াবা কেতিয়াবা ছাত্ৰ-ছাত্ৰীসকলে সময়মতে জাননী ফলক অনুকৰণ নকৰা হেতু এনে সমস্যাৰো উদ্ভৱ হয় যাৰ পৰিণাম কৰ্মচাৰী তথা ছাত্ৰ-ছাত্ৰী সকলোৱে ভুগিবলগা

হয়। বিশেষকৈ পৰীক্ষাৰ প্ৰ-পত্ৰ সকলোৱে ভুগিবলগা হয়। বিশেষকৈ পৰীক্ষাৰ প্ৰ-পত্ৰ পূৰণৰ সময়ত। গতিকে ভৱিষ্যতে ছাত্ৰ-ছাত্ৰী সকলে জাননী ফলকৰ নিৰ্দেশনা মতে আগবাঢ়িলে সংশ্লিষ্ট সমস্যাবোৰ নিশ্চয় দূৰ হ'ব।

**অধ্যক্ষ-কৰ্মচাৰীসকলৰ সম্পৰ্কঃ**

ৰাজহাড়-কামিহাড়ৰ সুস্থিৰ সংযোজনতে শৰীৰ নিখুঁত-শক্তিমান হোৱাৰ লেখীয়াকৈ অধ্যক্ষ-কৰ্মচাৰীৰ পাৰস্পৰিক সহযোগিতাত কাৰ্য্যালয়ৰ কাম-কাজ মসৃণ আৰু নিৰৱছিন্নভাৱে পালন কৰাটো সম্ভৱ। অনুশাসনৰ নামত মূৰববীয়ে দমনমূলক নীতি তথা তলতীয়া কৰ্মচাৰীয়ে পালমৰা মনোভাব পোষণ কৰিলে কাৰ্য্যালয়ৰ কাম-কাজত জড়তা আহি পৰে। দুই মতাম'হৰ যুঁজত বিৰিণাৰ মৰণৰ দৰে ইয়াৰ পৰিণাম ভোগ কৰিবলগা হয় তৃতীয়পক্ষই।

বৰ্তমান আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষৰ আসনত এনে এগৰাকী ব্যক্তি উপবিষ্ট যি নেকি কেৱল এগৰাকী শিক্ষক-প্ৰশাসকেই নহয়, বৰঞ্চ এগৰাকী সু-লেখক, সু-চিন্তক . . .। মাজুলীৰ দৰে সত্ৰীয়া সংস্কৃতিৰে ভৰপূৰ অঞ্চলত শৈশৱ পাৰ কৰা ড০ জয় কৃষ্ণ মহন্ত ছাৰ এগৰাকী ধৰ্মপ্ৰাণ ব্যক্তিও। গতিকে মহাবিদ্যালয়ৰ কাৰ্য্যালয় কৰ্মচাৰী পৰিচালনাত ছাৰৰ ব্যক্তিত্বই নিঃসন্দেহে এক অনুশাসকৰ ভূমিকা পালন কৰিছে।

**প্ৰাসংগিক কিছু কথা ঃ**

১৯৪৫ চনতে প্ৰতিষ্ঠিত এই কানৈ মহাবিদ্যালয়ত ড০ যোগীৰাজ বসু, ড০ লক্ষী প্ৰসাদ দত্ত প্ৰভৃতি মনীষীসকলে জ্ঞান গংগাৰ নিজৰা বোৱাইছিল। সেই গংগাত স্নান কৰি বহুজন বৰ্তমানে অসমৰ, ভাৰতৰ বিভিন্ন প্ৰান্তত উজ্বলিত হৈ আছে।

বৰ্তমান ৯০তকৈ অধিক শিক্ষক-শিক্ষয়িত্ৰী তথা ৪০তকৈ অধিক কৰ্মচাৰীৰে পৰিবেষ্টিত কানৈ কলেজক এসময়ত অসমৰ দ্বিতীয়খন কটন বুলি অভিহিত কৰা হৈছিল। কেৱল উজনিকে নহয়, সমগ্ৰ অসমৰে গৌৰৱৰ কেন্দ্ৰবিন্দু এই কানৈ মহাবিদ্যালয়।

'কানৈ মহাবিদ্যালয়ে ইয়াৰ অতীত গৌৰৱ অক্ষুণ্ণ ৰাখিব পৰা নাই।' অপ্ৰিয় হ'লেও সত্য, উদ্ধৃত উক্তি ফাঁকি মোৰ নহয়। বিভিন্ন সময়ত, বিভিন্ন পৰিৱেশত একাংশ ব্যক্তিয়ে আগবঢ়োৱা মন্তব্য এয়া। সেইসকল মহাবিদ্যালয়খনৰ শুভাকাংক্ষী নিশ্চয়।

সঁচাই। এসময়ত এই মহাবিদ্যালয়ৰ বুকুতেই আৰ্বিভাৱ হৈছিল অনেক খ্যাতিমান খেলুৱৈ, কবি, সাহিত্যিক ইত্যাদি ইত্যাদি . . . ।

কিন্তু মোৰ চাকৰি জীৱনত মই তেনে কোনো উল্লেখনীয় প্ৰতিভাধৰ প্ৰত্যক্ষ কৰা নাই।

যোৱা কেইবছৰত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনস্থ স্নাতক চূড়ান্ত পৰীক্ষাৰ ফলাফল যথেষ্ট চমকপ্ৰদ পৰিলক্ষিত হ'লেও উচ্চতৰ মাধ্যমিক শাখাৰ ফলাফল আশাপ্ৰদ নহয়।

ইয়াৰ বাবে মই একপক্ষীয়ভাৱে কাকো দোষাৰোপ কৰিব বিচৰা নাই। যিহেতু বিষয়টো স্পৰ্শকাতৰ তথা গম্ভীৰ। সেয়েহে ইয়াৰ বাবে প্ৰয়োজন এক নিৰ্মোহ বিস্তৃত বিশ্লষণৰ। যিটো এই লিখনীত সম্ভৱ নহয়।

**মহাবিদ্যালয়ৰ সামগ্ৰিক উন্নয়ণ ঃ**

মোৰ চাকৰি জীৱনত অৰ্থাৎ বিগত ১১টা বছৰত প্ৰত্যক্ষ কৰিছো মহাবিদ্যালয়ৰ বিগত ১১টা বছৰত প্ৰত্যক্ষ কৰিছো মহাবিদ্যালয়ৰ সামগ্ৰীক উত্তৰণ যথেষ্ট চকুতলগা। মহাবিদ্যালয়ৰ বয়জ হোষ্টেল তথা পৰিসংখ্যা বিভাগৰ পুৰণা বিল্ডিংটো তেনেই পৰিত্যক্ত হৈ পৰিল যদিও সমসাময়িকভাৱে ABITA ৰ সৌজন্যত দুটাকৈ Gallery, অৱহেলিত হৈ পৰি থকা চাৰিসীমাত সজা পকী দেৱালে মহাবিদ্যালয়ৰ সৌষ্ঠৱ বৃদ্ধিৰ লগতে চাৰিসীমা সুৰক্ষিত কৰিলে। কেৱল এয়াইনে ?

মহাবিদ্যালয়ৰ চৌহদতে ভালেকেইটা বাসোপযোগী কোৱাটাৰ হ'ল, পণ্ডিতপ্ৰৱৰ ড০ লক্ষীপ্ৰসাদ দত্ত আৱক্ষ মূৰ্তিৰ কাষতে থকা গুদামঘৰ সদৃশ গ্ৰন্থাগাৰটো নতুন পৰিৱেশত মানোমোহাকৈ সজাই তোলা হ'ল। একেদৰে উপাধ্যক্ষৰ কোঠাৰ সমীপতে থকা ঠেক-ঘোপমৰা শিক্ষক-শিক্ষয়িত্ৰীৰ জিৰণী কোঠাটো তললৈ স্থানান্তৰ কৰি আটক ধুনীয়াকৈ সজাই তোলা হয়। ইণ্টাৰনেট, ই-মেইল, ফেক্সৰ সংযোগ ঘটোৱা হ'ল। উচ্চতৰ মাধ্যমিক কলা শাখাত

শিক্ষা আৰু সমাজতত্ত্ব বিষয়ৰ দৰে স্নাতক বিজ্ঞান শাখাত কম্পিউটাৰ বিজ্ঞানক পাঠ্যক্ৰমৰ অৰ্ন্তভুক্ত কৰা হ'ল।

ছাত্ৰ নিৰাসটো সময়োপযোগীকৈ সজাই তোলাৰ পৰিকল্পনা ভালেখিনি বাস্তৱায়িত কৰাৰ লগতে মহাবিদ্যালয়ৰ সামগ্ৰীক উত্তৰণৰ শেহতীয়া নিদৰ্শন হ'ল – ৩০ লাখ টকা ব্যয়সাপেক্ষে 'শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষ'।

**উপসংহাৰ ঃ**

যি সময়ত মানুহে ৪০কেজি চাউলক ৫০কেজি কেনেকৈ কৰিব পাৰি সেই কথা ভাৰিব পাৰে, খৰস্ৰোতা নদীৰ ওপৰত ডাঙৰ ডাঙৰ দলং সাজিব পাৰে অথচ একেখিনি মানুহে সমাজৰ পৰা উচ্চ-নীচ, জাত-পাত কেনেকৈ নাইকীয়া কৰিব প্যাৰি সেই কথা ভাৰিব নোৱাৰে।

উপমাটো এই কাৰণেই তুলি ধৰা হ'ল যে, যি সময়ত মহাবিদ্যালয়খনৰ সামগ্ৰীক উন্নয়ণ পক্ষীৰাজ ঘোঁৰাৰ দৰে দূৰন্ত গতিত আগবাঢ়িব লাগিছে ; সেই একে সময়তে প্ৰায় চল্লিশ বিঘা ভূমিৰে পৰিবেষ্টিত মহাবিদ্যালয়খনৰ এটি সামান্য অংগ, চালিসদৃশ কাৰ্য্যালয়টিয়ে মান্ধাতা যুগৰ কেইটামান আলমাৰি আৰু এবোজা আৱৰ্জনা লৈ মুক্তিৰ ক্ষণ গণিব লাগিছে।

কি এক অসহ্যকৰ, অস্বাস্থ্যকৰ পৰিৱেশত কৰ্মচাৰীসকলে দৈনন্দিন কাম-কাজ চলাই নিব লগা হৈছে সি সঁচাকৈ চিন্তনীয়।

শেহতীয়াভাৱে বৰ্তমানৰ অধ্যক্ষ মহোদয়ে কথা দিছে যে, তেখেতে নিজ কাৰ্য্যকালৰ ভিতৰতে কাৰ্য্যালয় গৃহটি নতুন তথা সময়োপযোগীকৈ নিৰ্মাণ কৰা ব্যৱস্থা প্ৰায় চূড়ান্ত কৰিছে। যদি সময়ত এয়া কাৰ্য্যকৰী হৈ উঠে তেন্তে কেৱল কৰ্মচাৰী সকলৰ বাবেই নহয়, মহাবিদ্যালয়খনৰ বাবেই ই হ'ব উন্নয়ণৰ এক মাইলৰ খুঁটি স্বৰূপ। ❖

Vserve
Smart Career Solutions
AN ISO 9001 : 2000 ORGANISATION

45 DAYS OF CRASH COURSE


COURSE CONTENT

- SPOKEN ENGLISH
- INTERVIEW SKILLS
- PERSONALITY DEVELOPMENT
- GOAL SETTING
- COACHING FOR MEDICAL, ENG, IIT, AIEEE, COMEDK
- COACHING FOR CAT, MAT, APSC, BANK CLERICALS/PO, RAILWAYS, SSC

100% JOB ASSURANCE

Contact : Vserve Khalihamari, Dibrugarh

Ph. No. : 9207045565/9854060827/9954921743/9435033406



দেৱী প্ৰসাদ খাউণ্ড
প্ৰাক্তন ছাত্ৰ

# উজনি অসমত কলেজীয়া শিক্ষা

## (এক মধুৰ সোঁৱৰণ)

উজনি অসমত কলেজীয়া শিক্ষাৰ আৰম্ভৰ কাল ১৯৩০ চন। এই বছৰতে যোৰহাটত প্ৰথমে 'যোৰহাট কলেজ' পাছলৈ নাম সলনি হৈ 'জগন্নাথ বৰুৱা কলেজ স্থাপিত হয়। ইয়াৰ পাছত প্ৰায় ১৫ বছৰ কাল উজনি অসমৰ শিক্ষাক্ষেত্ৰখনলৈ উন্নতিসূচক বিশেষ পদক্ষেপ লোৱা পৰিলক্ষিত হোৱা নাছিল। তাৰ বিশেষ কাৰণ চল্লিছৰ দশকৰ প্ৰথম পাঁচবছৰ কালযোৰা দ্বিতীয় মহাসমৰৰ ত্ৰাসময় প্ৰভাৱ। সমগ্ৰ উজনি অসম সেই মহাসমৰৰ কবলত বেয়াকৈ পৰিছিল। সেই পৰিস্থিতিৰ মাজতেই ডিব্ৰুগড়ৰ এজন বিশিষ্ট ব্যক্তি সমাজকৰ্মী অশ্বিনীচৰণ চৌধুৰী দেৱে ঐক্যান্তিকতাৰে এক সু-পৰিকল্পিত প্ৰচেষ্টা হাতত লয়। এদল নিষ্ঠাবান ডেকাকৰ্মীকলৈ চৌধুৰী ডাঙৰীয়াই, ডিব্ৰুগড়ত এখন পূৰ্ণাঙ্গ-কলেজ প্ৰতিস্থাকল্পে পুঁজি সংগ্ৰহ অভিযান আৰম্ভ কৰে। পৰিস্থিতিৰ জটিলতা অতিক্ৰমি সেই অভিযানে ১৯৪৫ চনৰ দোক্‌মোকালিত সফলতাৰ মুখ দেখে। ফলত ১৯৪৫ চনৰ জুন মাহৰ ১৫ তাৰিখে তেতিয়াৰ George Institution ৰ (এতিয়াৰ বাগ্মীবৰ নীলমণি ফুকন উচ্চতৰ মাধ্যমিক স্কুল) হল ঘৰটোত 'ডিব্ৰুগড় কলেজ' নীলমণি আৰম্ভ হয়। সেয়াই পাতনি। এক ৰাজহুৱা প্ৰতিস্থান হিচাপে এই 'ডিব্ৰুগড় কলেজ' প্ৰায় দহ বছৰমান বৰ্তি আছিল। ডিব্ৰুগড়ৰৰ সমীপৰ গণেশবাৰী চাহ বাগিচাৰ স্বত্তাধীকাৰী প্ৰয়াত হনুমানবক্স সুৰযমল কানৈ ডাঙৰীয়াৰ দানৰ ভিত্তিত ১৯৫০ চনৰ পৰা এই কলেজে বৰ্তমানৰ পূৰ্ণাঙ্গ ৰূপ পায়। তাৰ গুৰিতে আছিল প্ৰসিদ্ধ শিক্ষাবিদ প্ৰয়াত লক্ষ্মীপ্ৰসাদ দত্ত দেৱৰ নেৰানেপেৰা চেষ্টা, ঐকান্তিকতা আৰু সৰ্বোপৰি তেখেতৰ প্ৰশাসনিক দক্ষতা। তেখেতৰ প্ৰজ্ঞা, উদ্যম আদিৰ বশতেই বৰ্তমানৰ ডিব্ৰুগড় এখন অসমৰ ভিতৰতেই লেখৰ শিক্ষাকেন্দ্ৰ।

উজনি অসম তথা আমাৰ ডিব্ৰুগড়ৰ কলেজীয়া শিক্ষাৰ সম্প্ৰসাৰণ আৰু দুৰাৰ শ্ৰীবৰ্দ্ধনত বিশেষ অৰিহণা যোগোৱা বিশিষ্ট শিক্ষাবিদ জন আছিল অধ্যক্ষ পণ্ডিত যোগীৰাজ বসু (এম্ এ-ত্ৰিপোল) ডাঙৰীয়া। লগতে আছিল তেখেতৰ সুযোগ্য সহযোগী সকল যেনে – **উমা প্ৰসন্ন দে, কবি যতীন্দ্ৰ নাথ দুৱৰাদেৱ, উপেন্দ্ৰনাথ গোস্বামী, তফজ্জুল আলী** (বিখ্যাত সঙ্গীতজ্ঞ) আৰু **মহেন্দ্ৰ বৰা** আদি। এই সকল ব্যক্তি আমাৰ প্ৰাতঃস্মৰণীয়। এখেতসকলে কলেজখনৰ শ্ৰীবৃদ্ধিৰ বাবে উল্লেখনীয় ত্যাগ স্বীকাৰ কৰি গৈছে। সেই কথা আজি শ্ৰদ্ধাৰে সুৱৰিছোঁ। লগতে D.H.S.K. group of Colleges ৰ উত্তৰোত্তৰ শ্ৰীবৃদ্ধিৰ কামনাৰে সামৰিছোঁ। ❖

# সোণালী দিনৰ স্মৃতি



**হাচান ছৰিফ আহমদ**
*(শিল্পী পেঞ্চনাৰ)*
**প্ৰাক্তন ছাত্ৰ**

সময়ে যাক হৰণ কৰি নিয়ে, স্মৃতিয়ে তাক ওভতাই দিয়ে। সেয়ে, ইতিহাসৰ বুকুৰ পৰা মোৰ স্মৃতিয়ে ওভতাই অনা কুৰি শতিকাৰ পঞ্চাশৰ দশকৰ কলেজীয়া জীৱনৰ দুই এক স্মৃতি ৰোমন্থন কৰিবলৈ প্ৰয়াস কৰিছোঁ।

১৯৫৭-৫৮ কালৰ ডিব্ৰুগড় হনুমান সুৰজমল কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ দায়িত্বত কাৰ্যনিৰ্বাহ কৰিছিলোঁ। সেই সময়ত ডিব্ৰুগড়ত মাথোন এখনহে মহাবিদ্যালয় আছিল। সেইদৰে কানৈ মহাবিদ্যালয়ৰ কলা-বিজ্ঞান-বাণিজ্য বিভাগৰ মাজতে এখনহে ছাত্ৰ একতা সভা আছিল। সকলো বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ সৰ্বমুঠ সংখ্যা ১৬০০ (ষোল্লশ) মানহে আছিল। সাধাৰণ সম্পাদকৰ পদটোৰ বাবে মই বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হওঁ।

মোৰ কাৰ্য্যকালতেই মহাবিদ্যালয়খন পুৰণা ভেটিৰ পৰা বৰ্তমানৰ নতুন ভেটিলৈ স্থানান্তৰিত হয়। পুৰণা ভেটিৰ অৱস্থান আছিল ডিব্ৰুগড়ৰ বগাবাবা মাঝাৰৰ নাতিদূৰৈত অৱস্থিত হনুমানগড়ী মন্দিৰৰ সন্মুখত (বৰ্তমানে য'ত ডিব্ৰুগড় সঙ্গীত বিদ্যালয় অৱস্থিত)। আজি মনত পৰিছে মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে মোৰ নেতৃত্বত ঢোলে-ডগৰে সাংস্কৃতিক শোভাযাত্ৰাৰে পুৰণি মহাবিদ্যালয় এৰি নতুন মহাবিদ্যালয়ক সাবটি লোৱাৰ দৃশ্য। আমাৰ ছাত্ৰ একতা সভাৰ সভাপতি আছিল বিখ্যাত গৱেষক পণ্ডিত মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ যোগীৰাজ বসুদেৱ। উপসভাপতি আছিল ডিব্ৰুগড়ৰ শিক্ষাজগতলৈ এক সৃষ্টিশীল বাতাবৰণ কঢ়িয়াই আনোতা ডিব্ৰুগড়ৰ সমাজ জীৱনৰ এগৰাকী অপৰিহাৰ্য ব্যক্তি মহাবিদ্যালয়ৰ মাননীয় উপাধ্যক্ষ লক্ষীপ্ৰসাদ দত্তদেৱ।

অসমৰ এগৰাকী চিৰ নমস্য ব্যক্তি প্ৰথিতযশা বনফুলৰ কবি যতীন্দ্ৰনাথ দুৱৰা দেৱক শিক্ষাগুৰু ৰূপে সান্নিধ্যলৈ অহাৰ আমাৰ সৌভাগ্য ঘটিছিল।

আমি গৌৰৱ অনুভৱ কৰিছিলোঁ – ভাৰতৰ উপ-ৰাষ্ট্ৰপতি পণ্ডিত প্ৰৱৰ ড০ সৰ্বপল্লী ৰাধাকৃষ্ণণ, অসমৰ মাননীয় ৰাজ্যপাল ফজল আলি, অসমৰ মাননীয় মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহা, অসমৰ শিক্ষামন্ত্ৰী কামাখ্যা প্ৰসাদ ত্ৰিপাঠী আদি মহান ব্যক্তি সকলক মহাবিদ্যালয়লৈ আদৰিবলৈ সুযোগ পাই।

আমাৰ নিমন্ত্ৰণত মহাবিদ্যালয়ত পদাৰ্পণ কৰি তত্বগধুৰ শিক্ষামূলক বক্তৃতাৰে উপকৃত কৰিছিল - কথা শিল্পী চৈয়দ আব্দুল মালিক, সাহিত্যিক ডিম্বেশ্বৰ নেওগ, সেউজ কোঁৱৰ পৰাগ চলিহা আদি প্ৰাতঃস্মৰণীয় মহান সাহিত্যিক-শিল্পীসকলে। আমাৰ সময়ত মহাবিদ্যালয়ৰ শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত এক মধুৰ সম্পৰ্ক গঢ়ি উঠিছিল। যিদৰে ছাত্ৰ-ছাত্ৰীসকলে প্ৰত্যেকগৰাকী শিক্ষাগুৰুক ভক্তি-সন্মান যাঁচিছিল – সেইদৰে শিক্ষাগুৰুসকলেও আদৰ্শমূলক ব্যৱহাৰেৰে ছাত্ৰ-ছাত্ৰীক মোহিত কৰিছিল। উদাহৰণস্বৰূপে পুৰণি মহাবিদ্যালয়ৰ অস্থায়ী মঞ্চত অধ্যাপক - কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীয়ে মিলি জনপ্ৰিয় বিখ্যাত পূৰ্ণাঙ্গ নাটক টেক্সী ড্ৰাইভাৰ অতি সফলতাৰে মঞ্চস্থ কৰিছিল। মহাবিদ্যালয়ৰ বাবে ই এক স্মৰণীয় ঘটনা।

আমাৰ সময়ত পুৰণি মহাবিদ্যালয়ৰ অস্থায়ী মঞ্চত পৰিবেশত সাংস্কৃতিক অনুষ্ঠানসমূহ অতি উচ্চমানৰ আছিল - - আকৰ্ষণীয় আছিল। সেয়ে সাংস্কৃতিক অনুষ্ঠানসমূহ উপভোগ কৰিবলৈ ডিব্ৰুগড়ৰ সংস্কৃতিপ্ৰেমী ৰাইজৰ উখল-মাখল লাগিছিল। বিশেষ কাৰণত উক্ত অনুষ্ঠানসমূহ উপভোগৰ পৰা বঞ্চিত হ'বলগা হ'লে সংস্কৃতিপ্ৰেমীৰ অনুতাপৰ গুণগুণনি শুনিছিলোঁ। ইয়াৰ দুটা মুখ্য কাৰণ হ'ল – প্ৰথমে, সেইসময়ত মহাবিদ্যালয়ত গীত-নৃত্য-নাট আদিত সকলো স্তৰৰে এজাক সৃষ্টিশীল ছাত্ৰ-ছাত্ৰী শিল্পীৰ সমাৱেশ ঘটিছিল। দ্বিতীয়তে, সেইসময়ত অসমৰ এগৰাকী বিখ্যাত সংগীতশিল্পী অধ্যাপক তফজ্জুল

আলি চাৰৰ দিহা পৰামৰ্শ, নিখুঁত পৰিচালনা আৰু সক্ৰিয় সহযোগিতাই সোণত সোৰগা চৰাইছিল।

সেই সময়ত ঐতিহাসিক বিখ্যাত তেল শোধানাগাৰ আন্দোলনে সমগ্ৰ অসমক কঁপাই তুলিছিল। ডিব্ৰুগড়তো আন্দোলনে তীব্ৰ ৰূপ ধাৰণ কৰিছিল। সেই সময়ত আজিৰ দৰে ছাত্ৰ সন্থা নাছিল। উক্ত আন্দোলনৰ বাবে ডিব্ৰুগড় জিলাৰ (অবিভক্ত) ছাত্ৰসকলৰ এটি সংগঠন গঠন কৰা হৈছিল ডিব্ৰুগড় ছাত্ৰ-ছাত্ৰী কৰ্ম পৰিষদ নামকৰণেৰে। পৰিষদৰ সভাপতি মহেন্দ্ৰ নাথ গগৈ, উপ-সভাপতি হাচান ছৰিফ আহমদ, সাধাৰণ সম্পাদক দুৰ্গাপ্ৰসাদ মজুমদাৰ, যুটীয়া সম্পাদকদ্বয় যোগেন্দ্ৰ নাথ বৰা আৰু বিপুল কলিতাই দায়িত্ব বহন কৰিছিল। আটাইকেগৰাকীয়ে কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ আছিল।

অসমৰ জাতীয় অনুষ্ঠান অসম সাহিত্য সভাৰ পিছতেই স্থান দখল কৰা অসম নাট্য সন্মিলনৰ জন্ম ডিব্ৰুগড় নগৰত ১৯৫৯ চনত। পঞ্চাশ বছৰৰ দেওনা অতিক্ৰম কৰা অসম নাট্য সন্মিলনৰ জন্মৰ উৎসৰ থলি বুলি পৰোক্ষ ভাৱে গৌৰৱ কৰিব পাৰে কানৈ মহাবিদ্যালয়ে। ১৯৫৮ চনত কেন্দ্ৰীয় চৰকাৰৰ শিক্ষা দপ্তৰৰ উদ্যোগত নতুন দিল্লীত দহ দিন জুৰি অনুষ্ঠিত পঞ্চম আন্তঃবিশ্ববিদ্যালয় যুৱ মহোৎসৱৰ নাট প্ৰতিযোগিতাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ হৈ কানৈ মহাবিদ্যালয়ৰ নাট্যদলে অধ্যাপক তফজুল আলিদেৱৰ ৰচিত নাট নেপাতি কেনেকৈ থাকো মঞ্চস্থ কৰোঁ। উক্ত নাট পৰিচালনাৰ বাবে কেন্দ্ৰীয় শিক্ষা দপ্তৰৰ পৰা সন্মানসূচক প্ৰশংসা পত্ৰ লাভ কৰোঁ। উক্ত মহোৎসৱত ভাৰতৰ বিভিন্ন বিশ্ববিদ্যালয়ৰ নাট্য দলসমূহে ন ন শৈলীৰে বিভিন্ন বিষয়বস্তুৰ ওপৰত ৰচিত নাটৰ মঞ্চায়ন উপভোগ কৰি এক অনন্য পৰিৱেশত নিমজিত হৈ পৰোঁ। তেনে এক পৰিৱেশৰ মাজত মনলৈ চিন্তা আহিছিল অসমত এইদৰে বিভিন্ন নাট্যদলৰ মাজত নাট প্ৰতিযোগিতাৰ আয়োজন কৰি প্ৰতিযোগিতাৰ বাবে অসমৰ বিভিন্ন প্ৰান্তৰ পৰা সমৱেত শিল্পী-কৰ্মীৰ আলোচনা-বিলোচনাৰ মাধ্যমেৰে অসমৰ নাট্য আন্দোলনক পৰিকল্পিত ভাৱে আগুৱাই নিয়াৰ বাবে অসমত এটা স্থায়ী সংগঠন গঢ় দিব পাৰি নেকি! এয়াই আছিল অসম নাট্য সন্মিলনৰ জন্মৰ প্ৰক্ৰিয়াৰ শুভাৰম্ভ। উল্লেখযোগ্য অসম নাট্য সন্মিলনৰ প্ৰতিষ্ঠাপক সভাপতিৰ আসন অলংকৃত কৰিছিল কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাদেৱে আৰু প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদকৰ দায়িত্ব মই বহন কৰাৰ সৌভাগ্য ঘটিছিল।

অনেক স্মৃতিয়ে ভূমুকি মাৰিছে যদিও সীমাবদ্ধতাৰ বাবে আজিলৈ ইমানতে সামৰণি মাৰিলোঁ। ❖



## আলোকচিত্ৰ

**বাওঁফালৰ পৰা বহি থকা -**

শ্ৰী হাচান ছৰিফ আহমেদ (সাধাৰণ সম্পাদক), শ্ৰীমতী বিজয়লক্ষ্মী গগৈ (ছাত্ৰী জিৰণী কোঠা সম্পাদিকা), শ্ৰীমতী মঞ্জু বৰকাকতী (প্ৰতিনিধি), শ্ৰীযুত লক্ষ্মীপ্ৰসাদ দত্ত (উপ-সভাপতি/উপাধ্যক্ষ), শ্ৰীযুত যোগীৰাজ বসু (সভাপতি/অধ্যক্ষ), শ্ৰীযুত নিৰ্মল কুমাৰ বসু (অধ্যাপক), শ্ৰীমতী পূৰ্ণিমা ফুকন (শ্ৰেণী প্ৰতিনিধি), শ্ৰীমতী অঞ্জলী কাকতি (শ্ৰেণী প্ৰতিনিধি)।

**থিয় হৈ প্ৰথম শাৰীত -**

প্ৰথম গৰাকী - শ্ৰী সুশীল দুৱৰা (আলোচনী সম্পাদক), ষষ্ঠ গৰাকী- শ্ৰী ৰেশম সিং (শ্ৰেণী প্ৰতিনিধি), নৱমগৰাকী- শ্ৰী গোলাপ মোহন চুতীয়া (সমাজ কল্যাণ সম্পাদক), একাদশ গৰাকী - শ্ৰী ৰাম বৰঠাকুৰ (সঙ্গীত সম্পাদক)।

**থিয় হৈ দ্বিতীয় শাৰীত -**

প্ৰথম গৰাকী - শ্ৰী মুদী (শ্ৰেণী প্ৰতিনিধি), দ্বিতীয় গৰাকী - শ্ৰী জিয়াউদ্দিন আহমেদ হাজৰিকা (শ্ৰেণী প্ৰতিনিধি), তৃতীয় গৰাকী - শ্ৰী বিপুল কলিতা (ক্ৰীড়া সম্পাদক), ষষ্ঠ গৰাকী - শ্ৰী অনিল বৰঠাকুৰ (শ্ৰেণী প্ৰতিনিধি)।

নৱকুমাৰৰ চিন্তন

# গোসাঁনীৰ প্ৰেম

হাচান ইকবাল

হে মোৰ কবিতাৰ 'তুমি'
তুমি মোৰ প্ৰেমৰ গোসাঁনী
মোৰ আজন্ম সাধনাৰ
ফলশ্ৰুতিৰে
মোৰ নিজৰেই অজ্ঞাতে
অনাদি কালৰে পৰা
থিতাপি তোমাৰ মোৰ হৃদয়ত
কবিতাৰ 'তুমি' বোৰ মহীয়ান হ'ল
প্ৰেম নামৰ চিৰন্তন ব্যাধিৰ সতে
মই সংক্ৰমিত হ'লোঁ তোমাৰ বুকুলৈ
তোমাৰ প্ৰেৰণাতেই দলিয়াই দিলোঁ
পাৰ্থিৱ সমাজৰ
বাণিজ্যিক 'বুজাবুজি' বোৰ
কোনো এটি সুৰীয়া নিশাৰ
শেষ প্ৰহৰত, জীৱনৰ আলি-দোমোজাত
অখ্যাত গলিৰ শেষ প্ৰান্তত
তুমি খোজা উপহাৰ যাচিলোঁ তোমাক
পৰেনে মনত আজি
মোৰ
বন কৰা বগা পোচাকত
ক্ষন্তেকতে লিপিবদ্ধ হোৱা
তোমাৰ অধৰৰ গোলাপী চানেকি ?
জীৱন-সত্বাত দেৱীৰূপে থাপিলোঁ তোমাক
উন্মোচিত হ'ল
মোৰ - গোসাঁনীৰ প্ৰেম

হে মোৰ প্ৰেমৰ গোসাঁনী
সততাৰ মন্ত্ৰেৰে বিভূষিতা তুমি
চৰ্ত বিহীন প্ৰতিজ্ঞ প্ৰেমৰ
স্বপ্নদ্ৰষ্টা তুমি
হে মোৰ প্ৰাণৰ গোসাঁনী



আজি কাল ধুমুহাৰ কোবাল সোঁতত
কিয় প্ৰভাৱিত তোমাৰ স্থিতি ?
ষোড়শী প্ৰেমৰ ষোড়শোপচাৰ
কোন মায়াবী দেৱীৰ পূজাৰ বেদীত
আহুতিৰ আহ্বান ?
দেখা নাই তুমি
মোক চকুৰ পানীৰে অস্ত্ৰ গঢ়াৰ প্ৰত্যাহ্বান ?
হে মোৰ প্ৰেমৰ গোসাঁনী
তোমাৰ বুকুত আছে
সাতো জনমৰ প্ৰতিশ্ৰুতিৰে

দায়বদ্ধ ইতিহাস,
সততাক মষিমূৰি, নোৱৰা কৰিব দেৱী
তাৰ পৰিহাস !
হে মোৰ প্ৰেমৰ গোসাঁনী
স্থিতপ্ৰজ্ঞ হোৱা, স্থিতপ্ৰজ্ঞ হোৱা
বিচলিত নহ'বা কদাপি
সময় নদীত সগোত্ৰৰ সন্ধানত
স্বাৰ্থান্বেষী ঢৌবোৰ বুকুত সাবটি
উটি যোৱাৰ অধিকাৰ
নাই যে তোমাৰ -
কোনো চৰ্ততেই
জীৱনৰ কোনো 'দশমী' তেই
বিসৰ্জিব নোৱাৰোঁ তোমাক
হে মোৰ প্ৰেমৰ গোসাঁনী
মোৰ তেজেধোৱা কলিজাত
থাপিছোঁ তোমাৰ পূজাৰ বেদী
হে মোৰ প্ৰাণৰ গোসাঁনী
তোমাৰ পাষাণ চৰণত
আজিও যাচিছোঁ মোৰ
'হৃদয়' নামৰ এপাহ নিষ্পাপ ফুলৰ,
অৰ্ঘ্যাঞ্জলি। ❖

# কবিতা



কবিতা মানুহৰ জীৱনক চুই
যোৱা স্বপ্নৰ আমনি, ই মানুহৰ
জীৱনৰ গভীৰ অনুভৱ আৰু
অভিজ্ঞতাৰ আন্তৰিক অভিব্যক্তি।
জীৱন, জগত আৰু মানুহ
কবিতাৰ আয়ুস। কবিতাই
মানুহৰ হৃদয় জোকাৰি যায়,
দুচকু পোহৰাই, আত্মাৰ কথা
কয়। ইয়েই জীৱন শিল্প মহিয়ান
কৰি মানুহক সত্যৰ আলোক
পথৰ সন্ধান দিয়ে, জীৱন সমৃদ্ধ
কৰে, মানুহৰ অস্তিত্বৰ কথা,
জীৱনৰ মমাৰ্থ আৰু গুৰুত্বৰ সন্ধান
কৰে, জীৱনৰ নিষ্ঠুৰ সত্যৰ স্বৰূপ
উদ্‌ঘাটন কৰে, জীৱন আৰু
সমাজক গতিশীল কৰে।

## জন্মভূমি

চন্দন তালুকদাৰ
স্নাতক ১ম বর্ষ

অসম দেশত জন্ম আমাৰ
অসম জন্মভূমি,

শংকৰ মাধৱে জন্ম লভি
ৰাখিছে খ্যাতি আজি।

নানা জাতিৰ মিলন ভূমি
আমাৰ অসমী দেশ,

হিয়াৰ মাজত সদায় বাজে
শান্তি অমিয়া চিত।

এই দেশৰ ভাষা জননী
আমাৰ হিয়াৰ আমঠু,

এই দেশৰ গীত মাতবোৰ
আমাৰ প্ৰাণৰ চিনাকি।

একেখন সুজলা এনেখন সুফলা
জন্মভূমিত জনম লভিছোঁ আমি,

কদাপি নাপাওঁ এনে ৰসাল
দুনাই জন্মভূমি।

অ'মোৰ অসমী আই
অ'মোৰ চেনেহী আই,

মৃত্যুৰ পাছতো পাওঁ যেন আহি
তোমাৰ কোলাত ঠাই। ❖



ক
বি
তা

## দেশ প্ৰেমিক নে শতৰু

প্ৰাণদ্বীপ গোস্বামী
স্নাতক ১ম বর্ষ

অসমী আই আজি মহা সংকটত
নাই কোনো দিবলৈ বিপদৰ পৰিত্ৰাণ,
নেতা-পালি নেতা সকলোকে লাগে
কেঁচা শোণিত আৰু নিৰীহ জনতাৰ প্ৰাণ।

ক্ষমতাৰ বাবে আশ্ৰয় দি বিদেশীক
অসমী আইৰ শোহিছে বুকুৰ কেঁচা শোণিত,
পঙ্গু কৰি তুলিছে অসমী আইৰ জীৱনৰ
অতি মনোমোহা ৰূপটিক।

চাৰিওফালে কেৱল বিস্ফোৰণ
নিৰীহ জনতাৰ আৰ্তনাদ,
অসমী আইৰ এই ধ্বংসাত্মক ৰূপক ৰুধিবলৈ
নাই লাচিতৰ দৰে দেশ প্ৰেমিকৰ হৃদয়।

সকলোকে লাগে মাথোঁ ক্ষমতা
নালাগে এই দেশ মাতৃৰ বুকুৰ সন্তানক,
মানুহৰ জীৱনক মূল্যহীন গণ্য কৰি
কেৱল লাগে ক্ষমতাৰ বাঘজৰী।

সকলো সভাতে জনসাধাৰণক নিৰাপত্তাৰ
ভাষণ দি আৰ্জে সন্মান আৰু সদনাম,
প্ৰকৃতাৰ্থত তেওঁলোকেই জাতত সিঁচি কুমামৰ বীজ
বোৱাই আনে কেঁচা শোণিতৰ নদ॥ ❖

কবিতা

## সূৰুযৰ সতে


সুৰভি শইকীয়া
উঃ মাঃ ১ম বৰ্ষ

নিশাৰ ওৰণি গুচাই
সূৰুযে যেতিয়াই
দুহাত মেলে
প্ৰভাতে প্ৰভাতে ;

হিয়া মোৰ কঁপে
কেতিয়াবা অজানিতে,
গোপনে গোপনে॥

পদুমেও পাহি মেলে
সূৰুযৰ আনন্দতে,
পাহৰি নিশাৰ বেদনা,
দেখি পোহৰৰ শিখা॥

ময়ো যাওঁ আগবাঢ়ি
জীৱনৰ সুখ বিচাৰি,
পাতি সূৰুযৰ স'তে মিতিৰালি॥ ❖



## এই দেশৰ জীয়াৰী মই

পলিতা বৰগোহাঁই
উঃ মাঃ ১ম বৰ্ষ

এই দেশৰ জীয়াৰী হৈ,
প্ৰথমেই মই সকলো
মানৱকেই
জনাওঁ প্ৰণাম।
এই দেশৰ জীয়াৰী মই,
সেয়েহে মই দিবই লাগিব
দেশৰ হকে আত্মবলিদান।
মই পাৰিবই লাগিব এদিন হ'লেও
এই দেশৰ জীয়াৰী হৈ,
সকলোতে বিয়পি পৰাকৈ গঢ়িব
লাগিব
এক অভিলেখ।
এই দেশৰ জীয়াৰী মই,
হ'ব বিচাৰোঁ
কনকলতা বৰুৱাৰ দৰে
সাহসিকতাৰ প্ৰতীক। ❖

## জীৱন মানে . . .

দীপা দাস
উঃ মাঃ ২য় বৰ্ষ

জীৱন মানেনো কি ?
সুখ-দুখ, আশা-নিৰাশা, হাঁহি-কান্দোন,
পোৱা নোপোৱা মানেইতো জীৱন।
যিমানেই আমি সুখৰ পাছে পাছে ঢপলিয়াই ফুৰোঁ।

সিমানেইতো আৰৰি ধৰে আমাক দুখে।
পাওঁ জানো আমি সহজতে সুখ ?
ইমান সহজতেতো পোৱা নাযায় সুখ।
সংগ্ৰাম কৰিলেহে পাব পাৰি সুখ।
জীৱনত যদি নাথাকে সংগ্ৰাম, তেনেহ'লে

থাকিব জানো জীৱনৰ অৰ্থ ?
ঘাত-প্ৰতিঘাতেৰে ভৰা এই জীৱনৰ বাটত,
উজুটি খাই পৰিলো বুলিয়ে হাত সাৰটি

থাকিলেতো নহ'ব।
আগবাঢ়িতো যাবই লাগিব,
জীয়াই থাকিবলৈতো কৰিবই লাগিব সংগ্ৰাম।
হয়, জীৱন মানেই সংগ্ৰাম . . . ❖

কবিতা

## মোৰ জীৱন

ৰঞ্জন গগৈ
উঃ মাঃ ১ম বৰ্ষ

(মানৰ অহংকাৰ) তৰণি পোৱাৰ আশাৰে
এক শান্তিৰ সফুঁৰা লভিবলৈ
মেলি দিলোঁ নাও
এক নিটোল গভীৰ সাগৰলৈ বুলি।
নাই ক'তো অহংকাৰ!
মাথো নিস্তব্ধ আৰু নিস্তৰংগ।
হঠাতে বেৰি ধৰিলে এক অজ্ঞান
এন্ধাৰে
আহিল এক নিৰ্যাণকাৰী বতাহ,
এবে থৰকাছুটি এৰিলে নাৰে
বতাহৰ কোবাল সোঁতত।
ডুব গ'ল তাৰ সমস্ত অংগ
তমসাচ্ছন্ন নাওখন এয়া
পানীয়ে মৰা বাও। ❖



কবিতা

## বাস্তৱ

ৰতন মেহ্
স্নাতক ১ম বৰ্ষ

আমি মনত ভাবো বহু কথা,
কৰিব নোৱাৰো বাস্তৱত সঁচা ;
কল্পনাৰ সাগৰ সঁচাকৈয়ে মধুৰ
ওচৰ পালেই লাগে কিয়
ই বৰ গধুৰ।

কল্পনা কৰি কৰি ভাগৰি
পৰিবা ; তথাপিও তুমি সেই
কল্পনাৰ সঁহাৰি নাপাবা।
যদিহে যাবা তুমি সকলো নেওচি,
নিজকে স্থিৰ কৰিবা ৰণলৈ যাওঁ বুলি,
নিজৰ মনৰ সঁহাৰি ল'বা ; নিজকে নিজেই
প্ৰশ্ন কৰিবা।

কল্পনাৰ সাগৰ যদিহে মধুৰ
বাস্তৱ কিয়নো হ'ব গধুৰ।
যোৱাঁ যদি তুমি সকলো নেওচি
পাবাগৈ তোমাৰ বাস্তৱক বিচাৰি।

জীৱনটো নহয় খেল
জীৱনক লৈ নকৰিবা ধেমালি ;
নাচায় সময়ে কাকো থমকি। ❖

## সময়

ধুনিতা মেধি
স্নাতক ২য় বৰ্ষ

ক্ষন্তেক ৰোৱাঁ
ভাবি চোৱাঁ
জীৱনৰ এই অমূল্য সময়
এইদৰে ধেমালিতে নকৰিবা আপচয়।
নিত্য জীৱন গঢ়া, আনৰ সহায়ক হোৱাঁ
নিজৰ কৰ্মৰ দ্বাৰা আনৰ অন্তৰত
আজীৱন অমৰ হৈ ৰোৱাঁ।
মৃত্যু আছে বাবেই জীৱনৰ
প্ৰতি হেঁপাহ আছে
চকুলো আছে বাবেই হাঁহিৰ মূল্য আছে
দুখ আছে বাবে সুখৰ আদৰ আছে
মিলনত স্বৰ্গীয় সুখ থকাৰ বাবেই
অপেক্ষাৰ পাছত মিলন
অলেখ আশা মোৰ হৃদয়ত আছে। ❖



কবিতা



## যন্ত্ৰণা

মিন্তু শইকীয়া
স্নাতক ১ম বৰ্ষ

মই তোমাক ভাল পাওঁ ;
কিয় তুমি অকনো নুবুজা ;
তুমি যি প্ৰতাৰণা কৰিলা ;
সেয়া মোৰ সপোন পাহৰা॥
তোমাক মাতিব খুজিও মই
অজানিতে থমকি ৰওঁ ;
কিজানি তুমি কোৱাঁ . . .
তুমি মোক মতাৰ অযোগ্য,
তথাপিও মই তোমাক ভাল পাওঁ॥

মনত আছেনে সৌ সিদিনা ১৭ আগষ্টৰ কথা,
তোমাৰ মনত কি যে আনন্দ ;
ৰাস্তাৰ সন্মুখত সকলোৰে চিঞৰিছিল,
মিউনিচিপেলিটি মুৰ্দাবাদ . . .
অৱশ্যে, ভাল লাগিছিল মোৰো,
সকলোৰে মাজত চিঞৰি॥

কিন্তু কি হ'ব . . .
খন্তেক সময়ৰ পাছতেই ৰাস্তাত জ্বলি থকা
টায়াৰৰ টুকুৰাবোৰ হৈছিল,
মোৰ বুকুৰ জুইলৈ ৰূপান্তৰ।
আৰু কোনেও নেদেখাকৈ,
উচুপি উঠিছিল মোৰ বুকুৰে
আৰু সহিব নোৱাৰিছিল যন্ত্ৰনা
অৱশেষত গুচি আহিছিলোঁ -
অকলশৰে নীৰৱে॥ ❖

## বিচ্ছিন্ন স্বপ্ন

প্ৰাঞ্জল প্ৰতীম শৰ্মা
উঃ মাঃ ১ম বৰ্ষ

এটি মিঠা সপোনৰ সোপানত আগমন তোমাৰ
পৰ্বতীয়া জুৰিৰ দৰে খিলখিল হাঁহি
অনুৰাগ নদীত এখনি পালতৰা নাও।


কিন্তু হঠাত ডাৱৰীয়া হ'ল আকাশ
ফেনে ফোটোকাৰে বাঢ়িল নদীৰ ঢল
বিচ্ছেদৰ ঢৌৰে চেনেহৰ ব'ঠাপাত
উটুৱাই লৈ গ'ল।

আকাশৰ দোপালপিটা অশ্ৰুজলৰ ভৰত
মোৰ লুণীয়া লোতক কেনিবা হেৰাল
হেৰুৱালোঁ তোমাক
এটি বুকুভগা নিশ্বাসৰ স'তে . . .। ❖

# ভগ্ন পঁজা

পেৱাল চন্দ্ৰ গগৈ
স্নাতক ২য় বৰ্ষ

সন্ত্ৰাস ! মাথোঁ এটি নাম
য'ত বিলীন হৈ আছে
মোৰ দেশৰ ! শৈশৱ কৈশোৰ
য'ত বিলীন হৈ আছে
ইতিহাসৰ মধুৰ সুমধুৰ ফলবোৰ।
হে নায়ক এক বীৰ
তোমাৰ উষ্ম পৰশত
কিমানজনে চকুলো টুকিছে।
সাগৰৰ, অজস্ৰ লহৰৰ মাজতো
বিজ্ঞানৰ নিচান উৰুৱাই
আই মাতৃক কিমানবাৰ উলঙ্গ কৰিছে।
এইয়া কি !
এয়াই নেকি মানুহৰ মানৱতা, জীৱশ্ৰেষ্ঠতা,
এয়াই নেকি বুদ্ধৰ শান্তিৰ নিজৰা ?
চিগাৰেট, ভডকা, মদক সোপা
সভ্যতাৰ নিৰঙ্কুশ তেজপিয়া।
নাই, নাই
তুমি চিৰ যুগমীয়া,
মই পুখুৰীৰ দৰিকণা মাছ ধৰা মানুহ নহয়,
মই দলনিৰ শিঙি মাগুৰ
মোৰ মৃত কোষৰ স্পৃহাত ৰাখোঁ।
মোৰ সমাধি কবৰৰ কাষত
কুলু কুলু সুৰেৰে বৈ গৈছে, এটি নিজৰা
খট-খটকৈ আহিব ধৰিছে, এটি অদৃশ্য যন্ত্ৰণা
ধূসৰ কুঁৱলিয়ে আবৰা মুক্ত আকাশৰ তলত
মই অকলশৰীয়া নাৱৰীয়া
শিয়াল! শগুণৰ আশাৰ নেজাল তৰা
আমি আমেৰিকাৰ হাতৰ পুতলা।



কবিতা

ক্ষীৰ সাগৰৰ বৰ্বৰতাৰ দ্বীপবোৰৰ
মই এটা নিৰ্জন দ্বীপ
জলৰাশিৰে ভৰপূৰ এই মৰু প্ৰান্তত
মেৰ সিক্ত সুবাসৰ বেদনা।
কজলা, কজলা মেঘৰ দুৰ্বোধ্য
ডাৱৰে আবৰা মনৰ ছন্দাস
হিলৈ, বৰটোপৰ নলীৰ শীৰ্ষত দেখোঁ
যাদ ভৱিষ্যতৰ কালআন্ধাৰ।
গৰুৰ খোজৰ পানীত মোৰ স্বচ্ছ দাপোণ
মানুহ আজি মতলীয়া, এটুকুৰা মাংস
এটি অশ্লীল নিঠঙা গা আবৰা
হাহাকাৰৰ মাজত আবদ্ধ
আমি!মই! সমাজ মোৰ সহবৃন্দ।
সাগৰৰ পাৰত এতিয়া বিহ মেটেকা
মানৱ আত্মাৰ দেহত প্ৰেতাত্মা
এয়াই নহয় জানো সময়ৰ সোঁতত
ধূসৰত নিৰৱচ্ছিন্ন সভ্যতাৰ চেকা।
উকা হৃদয়ৰ বিধ্বস্ত বাসনাত
জহি-খহি যোৱা এখন
তেজৰ নৈ। . . .
নৈৰ ওপৰত এখন জীৱন সাঁকো
যত সমাদৃত ইতিহাসৰ স্তুপ,
প্ৰৱাহিত কুৰি শতিকাৰ নগ্ন স্তম্ভ
তোমাৰ হাতৰ পৰশত খোদিত।
সাৰ পাই উঠা নীলা চিঞৰাহিৰে
খামৰ ওপৰত লিখা
নিৰ্লজ বাসনাৰে মোৰ প্ৰতিবিম্ব।
কজলা কজলা ডাৱৰ ধূসৰিত ধোঁৱা
অন্ধকাৰে আৱৰা মোৰ আইমাতৃৰ
শত লজ্জাৰ চেকা।
এয়াই দলঙৰ ওপৰত সজা
কুৰি শতিকাৰ চণ্ডাল মানৱৰ
ভগ্ন পঁজা॥ ❖

কবিতা

# হৃদয়স্পৰ্শী জোনাক

দিপশিখা বৰগোঁহাই
স্নাতক ২য় বৰ্ষ

পূৰ্ণিমাৰ পূৰ্ণ জোনাকত
আমি হৈছিলোঁ এদিন দুয়ো চিনাকি,
জোনাকৰ আভাই আমাক বিলালে
দুয়োৰে হিয়াৰ বাতৰি।
সেইদিনা জোনাকৰ বাদেও
আমাৰ লগত আছিল বহুত কিবাকিবি
হৃদয়ৰ ভাব ইজনে-সিজনক প্ৰকাশ নকৰাকৈয়ে
জোন-তৰাই মিচিকি হাঁহি মাৰি কৈ দিলেহি।
লগে লগে কি হ'ল জানা . . . ?
গছ-লতা-বন, চৰাই-চিৰিকতিয়ে
হাঁহিবলৈ ধৰিলে,
নদ-নদী, জান-জুৰিয়ে যেন
উলাহতে নাচিবলৈ ধৰিলে,
মোৰো তেতিয়া জোনাকলৈ লাজ লাগিল
জোৰকৈ মই লাজৰ ওৰণিখন টানি ললোঁ,
কিন্তু . . . ! বতাহে মোৰ ওৰণিখন গুচাই পেলালে
তেতিয়া মই লাজুকী বন হৈ নাথাকিলোঁ
হৈ পৰিলোঁ জোনাকৰ সুগন্ধি শেৱালি ফুল
সেই শেৱালি হৈ মই বৰ্তমান আৰু ভৱিষ্যতেও
তোমাৰ হৃদয় পৰশিব বিচাৰোঁ,
কিন্তু মোৰ ভয় লাগে . . . ।
পূৰ্ণিমাৰ পূৰ্ণ জোনাক আঁতৰি
যদি আমাৰ জীৱনলৈ নামি আহে
ঘোৰ অমানিশা . . .।❖

# তোক ভালপাওঁ বাবেই

বেদান্ত বিকাশ গগৈ
স্নাতক ১ম বৰ্ষ

তোক ভালপাওঁ বাবেই আকাশ চাব বিচাৰোঁ
সোঁৱৰণীৰ দুৱৰিত সাঁচ ৰাখি যাব বিচাৰোঁ
তোৰ আঁচলত, নুৰিয়াই পাণ বন্ধা দি
বান্ধিব বিচাৰোঁ
মোৰ ভালপোৱাবোৰ . . .
তোক ভালপাওঁ বাবে ফাগুনৰ পছোৱাতো
উতলা নহওঁ
কৃষ্ণচূড়া, শিমলুৰ তেজ ৰঙা ফুলেও
মোৰ তেজলৈ প্লাৱন নমাব নোৱাৰে,
তোৰ শিৰে শিৰে স্পন্দিত মোৰ ভালপোৱা
বুজি নাপাৰ চাগে তই !
নহ'লেনো ফাগুন যোৱাৰ পাছতো
চ'তৰ মনজোৰোৱা পছোৱা জাকতে
তই সৰি পৰনে ?
সোঁৱৰণীৰ ধূসৰ স্মৃতি হৈ। ❖



# মনত পৰে তোমালৈ

মাধুৰিমা হাজৰিকা
স্নাতক ১ম বৰ্ষ

মন নাযায় মোৰ আৰু কবিতা লিখিবলৈ,
মন নাযায় মোৰ দুনাই সপোন দেখিবলৈ।

মনত পৰে তোমালৈ প্ৰতিটো উশাহতে,
মনত পৰে তোমালৈ মোৰ প্ৰতিটো ক্ষণতে।

কিন্তু মই কি কৰিম
মই ও যে নিৰুপায়।

সময় হেৰাই গ'ল, তুমিও গ'লা গৈ,
কোৱা নহ'ল মোৰ মনৰ কথা
প্ৰকাশ কৰা নহ'ল মোৰ অন্তৰৰ ভাষা।

এতিয়াও বিচাৰে মনে তোমাক,
এবাৰ কাষত পাবলৈ।
এতিয়াও বিচাৰে অন্তৰে তোমাক,
এবাৰ কথা পাতিবলৈ।
সময়ৰ সোঁতত সকলো হেৰাই গ'ল
হেৰাই গ'লাগৈ তুমিও,
সঁচাকৈয়ে কৈছো এতিয়াও বৰ
মনত পৰে তোমালৈ। ❖



# কল্পনাবোৰ . . . হৃদয়বোৰ

পিকু গগৈ
স্নাতক ১ম বৰ্ষ

এবুকু ৰক্তিম বিষাদ
বিয়পি পৰে মোৰ ভিতৰে-বাহিৰে।
বিষাদ নহ'লে হেনো অস্ত নাযায় সূৰুয
আৰু আন্ধাৰ নাহে নামি মোৰ হৃদয়লৈ
বিষাদ নহ'লে জীয়াই থকাৰ অৰ্থ ক'ত ?
কল্পনাবোৰ বোলে ৰহন সনা,
ৰহন নাসানিলে জানো
সজাব পাৰি বালিঘৰবোৰ ?
অথবা জোৰাবও নোৱাৰি দেখোন ভগ্ন হৃদয়
কল্পনাবোৰ নথকা হ'লে কেনেকৈ থাকিলেহেঁতেন
জ্বলি যোৱা কিন্তু ছাই নোহোৱা
বিষাদসনা হৃদয়বোৰ . . .
কেনেকৈ থাকিলহেঁতেন জীয়াই, পূৰ্ণ হৃদয়
কল্পনাৰে বুকুত ছবি আঁকিব পাৰি বাবেইতো
কাতৰ নহয়,
কাৰোবাৰ হৃদয় স্মৃতিয়ে জুৰুলা কৰিলে,
অথবা কোনো বিফল প্ৰেমিকেও
লিখি যাব পাৰে
অন্য এক 'ডিভাইন কমেডি'॥ ❖

কবিতা

# মৰ্মান্তিক

তিলক ডেকা
কলেজ কৰ্মচাৰী

বেলি লহিওৱাৰ ক্ষণত
আঘোণৰ সোণবৰণীয়া ৰ'দৰে সৈতে
তাই গৈ আছে . . .
চিন্তাক্লিষ্ট ভগ্ন মন
বোকাচাত পোনাটি
খোজত দুৰন্ত ৰুক্ষতাৰ চঞ্চলতা
হঠাৎ - তিৰ্যক গতিৰে উৰি অহা
গুলীয়ে তাইৰ গতিক প্ৰতিহত কৰিলে
শুই পৰিল দুবৰিৰ দলিচাত
এতিয়া অবোধ শিশুটি
তাইৰ মৃত দেহ-বক্ষত
সি আহাৰ বিচৰা নাই ?
সি নিশ্চুপ নিশ্চল! ❖

ক
বি
তা



# নিসংগতাত

বিভূতি ভূষণ বৰুৱা

হতভগীয়াৰ দুধাৰি          চকুলো টোপাল
নিবিড় নিশাৰ স্বপ্নজালত
বেথা ভৰা জীৱনৰ          এক কৰুণ আৰ্তনাদ
এটোপাল পানীৰ অভাৱ
বালিময় প্ৰান্তৰ          উষ্ম ৰাগিনীত
নাই যে কাৰো সঁহাৰি
গভীৰ নিশাহ          এতিয়া শুনা যায়
টুপ টুপ চকুলোৰ শব্দ। ❖

# তোমাৰ লগত এটি প্ৰেমৰ আবেলি

সৌৰভ গাৰ্গ
স্নাতক ১ম বৰ্ষ

তোমালৈ বুলি ৰৈ আছোঁ . . .
নিৰ্জন ঠাই ডোখৰত।
এতিয়া আবেলি ;
তুমি অহাৰ কথা আছিল আজি
বহুত দিনৰ মূৰত।
পশ্চিমলৈ বলা কুৰুৱা বতাহজাকৰ হাতত গুজি
দিছিলা
মোলৈ বুলি এই বতৰা।
মই আজি ৰৈ আছোঁ তোমাৰ অপেক্ষাত।
তোমালৈ বুলি ৰৈ থকা মুহূৰ্তবোৰত
অপেক্ষাই গধুৰ কৰিছে ক্ষণবোৰ।
সান্ত্বনা লৈছো নিজৰ মনতে সকলোৱে কোৱা
এষাৰ কথাৰে, "অপেক্ষাৰ মুহূৰ্তবোৰ বৰ মধুৰ"
এজাক ৰিব্ ৰিব্ মলয়া বলিছে
ভাঁহি আহিছে এটি আবেলি আবেলি গোন্ধ।
কিবা এটা যেন খুব চিনাকি পৰিৱেশ
হালধীয়া এজাৰবোৰে দলিচা পাৰি সজোৱা
দীঘল আলিবাট টৌলৈ অধিৰ আগ্ৰহেৰে
ডিঙি মেলি চাইছোঁ
নাই, তোমাক কিন্তু দেখা নাই।
ছেঃ আজি নাহিবাই নেকি ?
নাই ; মোৰ মনটোৱে যেন মানি ল'ব খোজা নাই।
কালি তুমি বতাহজাকক নক'লা নেকি ?
আজি, তুমি কি ৰঙৰ চুৰিদাৰ পিন্ধি আহিবা ?
ৰঙা, বগা, নীলা নে বেঙুনীয়া ?



কবিতা

তুমি যি ৰঙেই নিপিন্ধা, মোৰ দৃষ্টিত তুমি কিন্তু
সদায়েই ৰঙীন।
আবেলিটো ক্ৰমান্বয়ে ধুনীয়াতকৈও ধুনীয়া হৈ পৰিছে
হয়তো, তুমি আহিবা বাবেই।
পক্ষীজাক ঘৰমুৱা হৈছে . . .
হয়তো ঘূৰি গৈছে নিজস্ব ঠিকনা বিচাৰি।
আকাশখনেও চোন, নিজৰ ৰূপ সলাইছে
হঠাৎ পশ্চিমৰ ডাৱৰে ঢাকি পেলাইছে
নিৰাভৰণ আকাশখন।
এজাক কিন্‌কিনিয়া বৰষুণো আহিব যেন পাওঁ।
তুমি অহাৰ পৰত সদায়েই আহে।
এইজাক মোৰ খুব চিনাকি বৰষুণ।
তোমাৰ চুটি চুলিকোছাত ওলমি ৰ'ব
বৰষুণৰ টোপোলাবোৰ . . .
অহ!
তুমি আহিলা
পশ্চিমৰ আকাশখনলৈ চোৱাঁ,
বেলি ডুবি গধূলি হ'বৰ হ'ল ;
অলপ সোনকালে অহা হ'লে
কথা হ'লো হয় মনৰ জোখাৰে।
কিন্তু, আজি আৰু সময় ক'ত ?
সময়বোৰ পাখি লগা কাঁড়ৰ দৰে তীব্ৰবেগী।
অলপ সময় হাতত থাকোঁতে
আকৌ এবাৰ কওঁ আহাঁ
দুচকুত দুচকু থৈ
প্ৰতিশ্ৰুতিৰে ভৰা পৃথিৱীৰ আটাইতকৈ মিঠা
কথাষাৰ . . . "মই তোমাক ভাল পাওঁ।"

কবিতা

# নীৰৱতাৰ স্বপ্ন

জিতু গগৈ
স্নাতক ২য় বৰ্ষ

নিৰ্জনতাৰ পৰশত
তপত চকুলোৰে ভিজা
দুখনি গাল
টোপাটোপে ভৰা চকুলোৰে সিক্ত
উকা কাগজৰ বুকু
গৰ্ভৱতী হয় শব্দৰ ঔৰসত
এটি বেদনাৰ সংহতি প্ৰসৰ হয়
কাগজৰ কোলাত।
কান্দোনত ফুটি উঠে
মিঠা বেদনাৰ সুৰৰ ঝনঝননি
অতীত হৈ যোৱা এটি গান
কলিবোৰত কেৱল
স্মৃতি। আৰু স্মৃতি।
এবুকু বেদনা সিক্ত সুভাষ
ল'ৰালিৰ সময়ৰ।
নিৰ্লজ্জ ধেমালিৰ কিৰিলি।
মিঠা মিঠা অভিমানৰ সুহুৰি
এখন তৰাভৰা আকাশ
জোনালীৰ ৰূপোৱালী হাঁহি
পাহাৰী নিজৰাৰ কলকলনি
কুলি-কেতেকীৰ মৌবৰষা মাত
উতলা ফাগুনৰ বতাহৰ ঢৌ
বসন্তৰ সেউজী ধৰা
এতিয়া!
এতিয়া মাথো!
নিৰ্জনতাৰ পৰশত গাভৰু হোৱা
এটি বেদনাসিক্ত গান। ❖



# জোনাকী পৰুৱা

হেমন্ত দাস
উঃ মঃ ১ম বৰ্ষ

ভাবিছিলোঁ মই আহিবা তুমি
সোণালী সপোনৰ জোনাক ৰাতি
আশা ভৰা মৰমকণলৈ
আহিবা তুমি মোৰ কাষলৈ
জোনাকী পৰুৱা হৈ পোহৰ বিলাবলৈ
তুমি আহিলে এনেকুৱা লাগে যেন
তুমি হ'লা জোনৰ লগৰী
গোটেই নিশা পোহৰাবলৈ
আহা তুমি মোৰ কাষলৈ
পুৱা হোৱাৰ লগে লগে
কিয় যোৱাগৈ মোক এৰি
মাথোঁ আশা ভৰা মৰম কণদি
যোৱাগৈ মোক অকলশৰীয়া কৰি। ❖

# মানুহৰ ভৱিষ্যত

পৃথ্বিৰাজ গগৈ
উঃ মাঃ ২য় বৰ্ষ

মানুহ ; মানুহ ; মানুহ ;
প্ৰাণীজগতৰ আটাইতকৈ বুদ্ধিমান
আৰু জীৱশ্ৰেষ্ঠ মানুহ !!!
যি কৰিছে আৰম্ভ
নিজৰ লগতে সমূহীয়া
বিৰাট ধ্বংসযজ্ঞৰ . . .
যত জ্বলিছে প্ৰতিটো শিশুৰ
সোণালী সপোন, সোণালী আশা,
তথা সোণালী ভৱিষ্যত ;
য'ত জ্বলিছে প্ৰতিটো প্ৰাণীৰ
হেপাঁহ ; ভালপোৱা ; মৰম, শ্ৰদ্ধা ;
আদি জীয়াই থকাৰ আৱশ্যকীয়
ক্ষুদ্ৰাতিক্ষুদ্ৰ অনুভূতিবোৰ . . .॥
সেয়ে হয়তো আজি
এজন আনজনৰ তেজৰ পিয়াসী,
অন্যায়, কলুষিতা আদিৰে আৱৰি,
ধূসৰ হৈ ৰ'ল মানুহৰ ভৱিষ্যতটি।
তথাপিও নসহে হৃদয়ে,
আকৌ কল্পনা কৰোঁ ;
আকৌ সপোন দেখো ;
এখন সুন্দৰ পৃথিৱীৰ . . .
হিংসা কলুষিতা বিহীন,
মৰম সহৃদয়তাৰে পৰিপূৰ্ণ
যত প্ৰতিজন মানুহৰ ভৱিষ্যত সম্ভাৱনাপূৰ্ণ!!!
এনে এখন পৃথিৱী
গঢ়ি তোলাৰ অধিকাৰ আৰু কৰ্তব্য
জানো আনৰ ???
নহয় ; সেয়া প্ৰতিটো শিশু ; মানুহৰ
অধিকাৰ তথা কৰ্তব্য
নহ'লে মানুহৰ ভৱিষ্যত
আৰু কাহানিও নাথাকিব। ❖



# অৰ্থহীন জীৱন

পেৰাল চন্দ্ৰ গগৈ
স্নাতক ১ম বৰ্ষ


নিস্তব্ধ নিৰ্জন মৰু প্ৰান্তৰৰ অন্তত
মই এটা দুৰ্দান্ত দলদস্যু
কুন্ধচ জঘন্য বিষাদৰ দৃষ্টিত
মই অকলশৰীয়া ভিকহু।
চাতৰ বৰদৈচিলা মনৰ চিত পখিলা
সাগৰৰ অজস্ৰ ঢৌ।
জীৱন বাটত মৰহা ধূলিকণা
ডাৱৰৰ কজলা শূন্যহীনতাত
মোৰ মৃত কোষৰ নাচোন।
জীৱন কি ?
এটোপোলা চকুৰ পানীত
স্বচ্ছ হোৱা
সংসাৰৰ অজস্ৰ বিননি
আইলৈ বুলি বুকুতে সাঁচো
পানীৰ নিলয়, সাগৰৰ তলি
ফেঁটি সাপৰ মুখত
খোদিত মানৱতা।
সংসাৰৰ ছয় পিশাচক
মন্থন কৰি
সাগৰৰ বুকুত সাজিলোঁ
এটি ঘৰ।
শূন্যক সাক্ষী কৰি
নৰ আলোকেৰে জগত তৰি
অৰ্পিলো জীৱনক
মৃত্যুৰ পথিক বুলি
জীৱনটোক অজীৱন কৰি। ❖

ক বি তা

## ৰাতিৰ এন্ধাৰ আৰু সেই মুখ

টিংকু প্ৰতীম গগৈ
স্নাতক ১ম বৰ্ষ

দেউতা মই! মই
মেঘালী দেউতা ;
হস্পিতালৰ পৰা।
কালিৰে পৰা ব-ৰ দুৰ্বল ;
হাতত চেলাইনৰ বটল।
মোক আহি লৈ যোৱা দেউতা
মই কান্দিছো দেউতা ;
তেজৰ চকুলোৰে।
ধনৰ ভুকত বিয়া দি তুমি মোক ;
এয়া কি কৰিলা দেউতা।
তুমি মোক বিক্ৰী কৰিলা ;
দেউতা জন্ম দিয়াৰ নামত।
সি মানুহ নহয় দেউতা !
পত্নীৰ স্বীকৃতি নাপালো,
নিশাৰ শস্যাত তাৰ
পশুত্বই আগুচি ধৰে।
তুমি মাক মৰম কৰাৰ দৰে
মোক মৰম নকৰে দেউতা।
মোৰ কাপোৰ বোৰ সি
হিংস্ৰ জন্তুৰ দৰে ফালে।
মোৰ ভয় লাগে দেউতা ;
ৰাতিৰ এন্ধাৰ ;
আৰু সেই মুখ।
পুৱাৰ বাছতে আহি ;
মোক লৈ যোৱা দেউতা।
নহলে সি মোক
মাৰি পেলাব দেউতা
মই কান্দিছো আজি দেউতা
মাথো তোমাৰ বাবে
তেজৰ চকুলোৰে। ❖



কবিতা

## অৱষাদৰ এপৃষ্ঠা

বিজয় চামাই
স্নাতক ২য় বৰ্ষ

শত শত ৰঙেৰে গঢ়া
সোণোৱালী সপোনবোৰ
চকুলোৰ সাগৰত
কাগজৰ নাওঁ হৈ
উটি ভাহি গ'ল
দূৰ দিগন্তলৈ।
মাথো ৰৈ গ'ল
স্মৃতিৰ সফুঁৰা
মৰমৰ নদীখন বিলীন হৈ গ'ল
বিষাদৰ নদীৰ সৈতে।
বাগৰি গ'ল জীৱনৰ
মধুৰ ক্ষণবোৰ
আশা-ভৰসাবোৰ
কালৰ কুটিলতাত
জাহ গ'ল
সেন্দুৰীয়া কল্পনাবোৰ
হৃদয়ত আছে মাথো
শুকান বালিচৰ। ❖

## Happiness

Govind Borsaikia
**H.S. 2nd yr.**

Everybody, everywhere seeks happiness
That I believe is true;
But finding it and keeping it
Is a difficult task to do.
Difficult because we think
That happiness can be found …
Only in places where wealth,
Luxury and fame abound.
And so, we go on searching
In places of pleasure;
Seeking recognition along
With monetary treasure.
Unaware that happiness
Is just a state of mind,
Within the reach of everyone
Who takea time to be kind.
For in making others happy
We will be happy too…
As the happiness you give away
Returns to shine you. ❖

**POEM**



## Quiet Words

Jahnabee Sonowal
**H.S. 2nd yr.**

While I sat reclined
I am suppressed by your thoughts
living in this environment
has felt the essence of yours

My eyes are in a tired position
watching to the way that you might
come in a day and
face me towards again

I try to concentrate in deep meditation
But I lose my control out of my feelings
I try to be in a passive mood
for the toggling of the thoughts in my mind

But, I can't do it so
And this is what and why I don't know

Life is an obsessed
and I am becoming an possessive
But still I keep control over my
feelings …….
And never wanna to get a
disastrous melody again
in my way towards you. ❖

## The Ganges

Himangshu Bailung
B.A. 1st yr.


The daughter of the Himalayas
Sacred from its source ;
And remains till end,
Flows through the heart of -
My mother land.

The daughter of the Himalayas
A symbol of holy birth -
A journey of truth and belief ;
A witness of bravery and strength,
Heading our souls to heaven.

The daughter of the Himalayas
A bless to human kind ;
Loving till the end of life,
Like a mother to her child.

The daughter of the Himalayas,
We should keep her awake -
Or she will be a fake ;
She is crying for help ,
We should save her.
Not only try -
Or in no time she will die.

The daughter of the Himalayas
Sacred from its source ;
And should, till the earth remains
Because she flows through the
Heart of my mother land. ❖



P O E M

## First Meeting

Monalisa Borthakur
B.A. 3rd yr.

I still remember the first meeting …
The getting down from a car,
Stealing a glance and buying a gum.
My heart was leaping with joy
As the beautiful time has arrived …
Your magical touch crated a feeling of hug.
The mixture of tension and love
Filled the environment with romance.
The sweet welcome by U.P.P.M.
Filled my heart with joy and comfort.
Our romantic talkes filled the dull path
With life and brightness.
The moment I reached home
A dark shadow overpowered my thought.
The feeling was very painful
Being so near, yet so far …
The night seemed to be endless
But yes ! The beautiful romantic morning arrived
With thousands of never-ending wishes.
Your magical touch filled my life
With the colour of your love life
Oh ! The bygone days give immense pleasure
Which remains in heart
Forever and ever … ❖

মোৰ মেজৰ ওপৰত এখন ছবি আছে
নিকোলাছ ৰবিকৰ। নাম তাৰ ?
তাৰ নাম - আমি দুৱাৰ মুকলি কৰোঁ।



# আত্মশুদ্ধিৰ ঢৌ তুলি

# ইমৰাণ শ্বাহৰ সৈতে

অন্তৰংগ আলাপ

বিভূতি ভূষণ বৰুৱা

প্ৰায় আঢ়ৈ ঘণ্টীয়া যাত্ৰাৰ অন্তত বাছৰ পৰা নামি হাইৱেৰ পৰা পুনৰ ৰিক্সাত উঠি ঠিকনাৰ নিৰ্দেশনাৰে ধাইআলিলৈ গতিমুৱা হ'লো। অৱশেষত কেঁকুৰি এটাৰ ঠিক শেষত লক্ষ্যস্থানত উপনীত হ'লোগৈ। আলিকাষৰ সেই ঘৰটোৰ গেটৰ সন্মুখত ৰৈ আছিল সৰল, মৃদুভাষী তথা বিশিষ্ট ব্যক্তিত্বৰ অধিকাৰী, অসমৰ গল্প জগতৰ এটি ভোটাতৰা আমাৰ শ্ৰদ্ধাৰ **অসম উপত্যকা** বঁটা বিজয়ী প্ৰথিতযশা সাহিত্যিক **ইমৰাণ শ্বাহ** ডাঙৰীয়া। তেখেতৰ সৈতে চিনাকি হোৱাৰ পিছত বহি পৰিলো বিভিন্ন বিষয়ৰ বাৰ্তালাপত আৰু তেখেতে সৰলতাৰে কৈ গ'ল অনৰ্গল . . .



**প্ৰশ্ন : আপোনাৰ জন্মস্থান আৰু শিক্ষাজীৱনৰ বিষয়ে দুআষাৰমান ক'ব নেকি ?**

**ইঃশ্বা :** মোৰ জন্ম শিৰসাগৰৰ ধাইআলিত। ধাইআলিত প্ৰাথমিক শিক্ষা, শিৰসাগৰ চৰকাৰী হাইস্কুলৰ পৰা মেট্ৰিক, কটন কলেজৰ পৰা আই.এছ.চি., শিৰসাগৰ কলেজৰ পৰা বি.এ. আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা এম.এ. পাছ কৰোঁ।

**প্ৰশ্ন : আপোনাৰ কৰ্মজীৱন আৰু সফলতাৰ বিষয়ে দুআষাৰমান ? আপুনি সুখীনে ?**

**ইঃশ্বা :** মই কিছুদিন কোঁৱৰপুৰ হাইস্কুল আৰু শিৰসাগৰ হাই-মাদ্ৰাছাত মাষ্টৰী কাম কৰিছিলো। অলপদিন গড়গাঁও কলেজত প্ৰবক্তা আছিলোঁ। ১৯৬৩ৰ পৰা ১৯৯৩ চনলৈ শিৰসাগৰ কলেজত কাম কৰোঁ। সফলতাৰ বিষয়ে মইতো ক'ব নোৱাৰিম। সেই দিশত মই কেতিয়াও একো ভৰা নাই। একেই কথা, মোৰ ক্ষেত্ৰত, সুখ-দুঃখ সম্পৰ্কেও। তথাপি সুধিলে মই ক'বই লাগিব – মই সুখী।

**প্ৰশ্ন : আপোনাৰ জীৱনৰ দৰ্শননীতি আৰু আদৰ্শ কি ধৰণৰ ? জীৱনটোক আপুনি কেনেভাৱে গ্ৰহণ কৰে ?**

**উত্তৰ ঃ** জীৱনটো যেনেকৈ আছে মই তেনেকৈয়ে গ্ৰহণ কৰাৰ চেষ্টা কৰো। যি পালো তাকে ভাল কৰিবলৈ, সুন্দৰ কৰিবলৈ চেষ্টা কৰিব লাগে। দৰ্শন, নীতি, আদৰ্শ এইবোৰ বহু পৰিমাণে বিদ্যায়তনিক কথা। মানৱতা, সততা আৰু আস্থা মানুহৰ থাকিব লাগে।

**প্ৰশ্ন : সাহিত্যজগতলৈ প্ৰবেশ কেনেদৰে ঘটিল ? এই প্ৰবেশ বা আকৰ্ষণৰ আঁৰত কিবা বিশেষ উৎস বিচাৰি পাইছিল নেকি ? আপোনাৰ অনুপ্ৰেৰণা কি আছিল ?**

**ই: শ্বা :** বন্ধুবৰ্গৰ কথাত পৰি লিখিবলৈ ল'লো। মানুহে যেনেকৈ বিভিন্ন কৰ্ম কৰে, সাহিত্যও তেনে এক কৰ্মহে। উদ্দেশ্য বেলেগ হ'ব পাৰে। বিশেষ উৎস, বিশেষ অনুপ্ৰেৰণা সেইবোৰ মোৰ নাই। মই আনৰ কথা নাজানো।

**প্ৰশ্ন : চুটিগল্পক কিয় ভাৱপ্ৰকাশৰ আহিলা হিচাপে বাচি ল'লে ?**

**ই: শ্বা :** কেৱল চুটিগল্পক লোৱা নাই। কবিতা, উপন্যাস, নাটক আদিও লিখিছো। ব্যৱহাৰিক কাৰণত গল্প বেছি লিখা হৈছে, সিমানেই।

**প্ৰশ্ন : আপোনাৰ কোনটো চুটিগল্প আপোনাৰেই দৃষ্টিত শ্ৰেষ্ঠ ? আৰু কিয় ? গল্পটোৰ পটভূমিত বাস্তৱিকতা আছে নেকি ?**

**ই: শ্বা :** নাই। মই ক'ব নোৱাৰিম। শ্ৰেষ্ঠ অশ্ৰেষ্ঠৰ দৌৰত মই নাই।

এটা কথা। অসংখ্য গল্প মই লিখিছোঁ। সকলোৰে সমল মই বাস্তৱৰ পৰা লৈছোঁ। কিন্তু লিখোতে নানা কূট-কৌশল কামত লগাইছো। কোনোবাই বিচাৰিলে মোৰ ভূতৰ গল্পতো বাস্তৱিকতা পাব। সাহিত্য অকাডেমীৰ সংকলনত থকা মোৰ "মৰম" গল্পটো ভূতৰ গল্প নহয়। মানৱতাৰহে। তেওঁলোকে ঠিকেই বুজিছে। সমালোচকে মেজিক-ৰিয়েলিটিৰ কথা কৈছে। মোৰ কিন্তু তাতো "খেয়ালীপন্না" আছে।

**প্ৰশ্ন : জন্মৰ পৰা এতিয়ালৈ এক দীৰ্ঘ পৰিক্ৰমা আপুনি পাৰ কৰিলে, এই সময়ছোৱাত পাহৰিব নোৱৰা কিবা স্মৃতি আছে নেকি, যাক আপুনি আপোনাৰ সাহিত্যৰ ৰূপ দিছে ?**

**ই: শ্বা :** প্ৰায়বোৰেই। "জবানবন্দী" নো কি ? মোৰ নিজৰে জবানবন্দীহে। "আপোন সুদূৰ"ৰ লিখাবোৰ তেনে।

**প্ৰশ্ন : বিভিন্ন উচ্ছৃংখলতাই আজি সমাজ জীৱনক কলুষিত কৰিছে, সাধাৰণ মানুহ বেয়াকৈ দুৰ্ভোগত ভুগিছে, আমাৰ সমাজখনক কেনেকৈ সুস্থিৰতালৈ ঘূৰাই নিব পৰা যাব। আপোনাৰ মতামত কি এই সম্পৰ্কত ? এই ক্ষেত্ৰত আপোনাৰ সাহিত্যৰাজি অৰ্থাৎ চুটিগল্পই 'সমাজ জীৱনৰ দাপোন'ৰ চৰিত্ৰ লৈছে নে কেতিয়াবা ? আপুনি কিমান দূৰ সফল হৈছে বুলি ভাবে ?**

**ই: শ্বা :** (ক) সমাজে যদি "বিভিন্ন উচ্ছৃংখলতা"ক সহ্য কৰি আছে তাৰ বাবে সমাজ দায়ী। দুৰ্বলতা জয় কৰক। (খ) সাধাৰণ মানুহ কিয় 'সাধাৰণ' হৈ থাকিব লাগে যুগ যুগ ধৰি ?তেওঁলোক সাৰ পোৱালৈ বাট চাব লাগিব। (গ) শিক্ষাৰ গত্যন্তৰ নাই। কিন্তু দেশখনত প্ৰকৃত শিক্ষাৰ বৰ অভাৱ। মই নাজানো ইয়াৰ পৰা কেনেকৈ মুক্তি পোৱা যাব। দেখাত সোনকালে কিবা হোৱাৰ আশা নাই। সকলো শ্ৰেণী, সকলো পৰ্য্যায়, সকলো মহলৰ মানুহ বেলেগ বেলেগ পিঞ্জৰাত বন্দী।

মই তেনেকৈ লিখাই নাই। প্ৰচাৰধৰ্ম্মিতা, সংস্কাৰধৰ্মিতা, উদ্দেশ্যধৰ্মিতা, এইবোৰৰ পৰা আঁতৰি থকা লিখক মই। দাপোনত প্ৰতিফলন ? মোৰ দাপোনখন বোধকৰো ভগা। সন্তুষ্ট প্ৰতিফলন আশা কৰিব নোৱাৰি। যি কাম কৰাই নাই, তাত সফল কেনেকৈ হ'ম।

**প্ৰশ্ন : সমাজ জীৱনৰ এজন সাক্ষী হিচাপে, এজন সুক্ষ্ম তথা বিজ্ঞ পৰ্যবেক্ষক, নিৰীক্ষক আৰু সাধক হিচাপে (সময়ৰ পৰিৱৰ্তন-সমাজ জীৱন-নৱপ্ৰজন্ম-উচ্ছৃংখলতা আৰু আপুনি নিজে) এই সম্পৰ্কত আপোনাৰ মতামত কি ?**

**ই: শ্বা :** ৰবি ঠাকুৰে এটা কবিতাত কৈছে সাহিত্যৰ প্ৰকৃত বিচাৰ, তাৰ স্বৰূপ "শতবৰ্ষ পৰে" হে ধৰিব পৰা হয়। মই মামুলি লিখক। মই এতিয়াই কেনেকৈ ক'ম। মই বুলিয়ে নহয়, বেলেগ বেলেগ ধৰণে কাম কৰি থকা আমাৰ সকলোৰে, কামৰ মূল্যায়ন 'অনাগত ভৱিষ্যত'ৰ হাতত এৰি দিয়াই ভাল।

**প্ৰশ্ন : অসম সাহিত্য সভাই অসমৰ সমাজ জীৱনত দ'কৈ শিপাই আছে তথাপি ভাৱ হয় অসমীয়া সমাজগঠনত সাহিত্যসভাই যিদৰে অৰিহণা যোগাব পাৰিলেহেঁতেন, তেওঁলোক যেন সফল নহ'ল। আপোনাৰ মতে ?**

**ই:শ্বা :** সাহিত্য সভা বুলিয়েই নহয় সকলো অনুষ্ঠান-প্ৰতিষ্ঠান কিছুমান নীতি-নিয়মৰ মাজেৰে চলে। তাতেই সেইবোৰৰ শক্তিও আৰু দুৰ্ব্বলতা তথা সীমাৰদ্ধতাও। প্ৰশ্নটোত সমাজ-গঠনৰ কথা কোৱা হৈছে। এইটো এটা বৰ জটিল আৰু সূক্ষ্ম সন্দৰ্ভ। অনেক শক্তি ইয়াত সক্ৰিয়। সাহিত্য-সভাক অকলে জগৰীয়া কৰিব নালাগে। সন্দৰ্ভবোৰ বিশ্লেষণ কৰা দৰ্কাৰ। অনেক মহলৰ সহযোগ আৰু একত্ৰ-প্ৰয়াসৰ (Concerted effort) প্ৰয়োজন। অসমৰ অৰ্থনীতিৰ ক্ষেত্ৰখন বৰ দুৰ্ব্বোধ্য ধৰণৰ। বিশ্লেষণ লাগিব।

**প্ৰশ্ন : অসমীয়া এই ভাঙোনমুখী সমাজখনক পুনৰ সুস্থ কৰি তুলিবলৈ সাহিত্য সভাৰ দৰে এটা নতুন অনুষ্ঠানৰ প্ৰাসংগিকতা আপুনি পোষকতা কৰেনে ?**

**ই:শ্বা :** "সাহিত্য সভাৰ দৰে" ? প্ৰশ্নটো মই বুজা নাই। দুই এটা অনুষ্ঠান আছেই নেকি ? মই সাহিত্য সভাৰ লগত পোনপটীয়াকৈ জৰিত নহওঁ। সংবিধানখন আৰু কাৰ্য্য পৰিকল্পনা নাজানো। গতিকে এনে বিষয়ত কিবা কোৱাৰ সম্পূৰ্ণ অৰ্হতা মোৰ নাই।

**প্ৰশ্ন : আলফা আৰু চৰকাৰৰ শান্তি আলোচনাৰ কথা ওলাই আছে, আলোচনাই অসমলৈ শান্তি-উন্নতি কঢ়িয়াই আনিবনে ?**

**ই:শ্বা :** আকৌ ভৱিষ্যৎ বাণী! আলোচনা হ'ব লাগে। প্ৰচেষ্টা এটা হওক। শান্তি লাগে। আলফা আহিবনে ? আহিলে ভাল হয়।

**প্ৰশ্ন : অৱশেষত সুধিব খোজো অসম উপত্যকা বঁটা গ্ৰহণ কৰি আপোনাৰ অনুভৱ কেনে ?**

**ই:শ্বা :** ভালেই লাগিল। মই অৱশ্যে সদায়েই বঁটা-বাহন, প্ৰতিযোগিতা, প্ৰতিদ্বন্দ্বিতা এইবোৰৰ পৰা দূৰত থকা মানুহ। এতিয়া লিখি থাকিব পাৰিলেই হয়।

**প্ৰশ্ন : অৱশেষত আপোনাৰ বহুমূলীয়া দুআযাৰমান ক'ব নেকি ?**

**ই:শ্বা :** সকলো নতুন ডেকা-গাভৰু সাহিত্যিক, খেলুৱৈ, বা আন কিবা-কিবি হ'ব লাগিবই বুলি কোনো কথা নাই। কিন্তু সকলো 'মানুহ' হৈ উঠিব নোৱাৰাৰ কোনো কাৰণ নাই। মানুহ 'মানুহ' হৈ উঠিব পাৰে একমাত্ৰ নিজৰ চেষ্টাতহে। আমি চিন্তা কৰিবলৈ শিকিব লাগে। এই শিক্ষা নিজেহে নিজক দিব পাৰি। নতুন মানুহ সাৰ পাই উঠক।

ধন্যবাদ ছাৰ, কৰ্মব্যস্ততাৰ মাজতো সময় উলিয়াই আপোনাৰ সোণসেৰীয়া আলাপেৰে আমাৰ আলোচনীখনি চহকী কৰি তোলাৰ বাবে আপোনালৈ সমূহ কানৈয়ানৰ তৰফৰ পৰা আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।



সাক্ষাৎকাৰ গ্ৰহণ কৰোঁতা

\- সম্পাদক ❖

মহাবিদ্যালয়ৰ চোতালত

**আমাৰ শিক্ষা ব্যৱস্থা নানা সমস্যাৰে ভাৰক্ৰান্ত। যিটো সমাজখনৰ বাবে চিন্তনীয়। এই সমস্যাসমূহক প্ৰতিনিধিত্ব কৰিব পৰাকৈ এমুঠি প্ৰশ্নৰে আমি বিভিন্নজনৰ কাষ চাপিছিলো। এই সমস্যাসমূহৰ যথোপযুক্ত বিশ্লেষণেৰে যি মতামত আগবঢ়াইছিল সেয়া আপোনাসৰলৈ আগবঢ়ালোঁ।**

- দেশ আৰু জাতিৰ স্বাৰ্থক সনুখত ৰাখি মহাবিদ্যালয়ৰ বৰ্তমানৰ শৈক্ষিক আৰু বৌদ্ধিক চিন্তাৰ পৰিবেশত আপুনি সুখীনে ?
- আমাৰ মহাবিদ্যালয়ৰ তেনেই অনুন্নত ক্ৰীড়া আৰু সাংস্কৃতিক দিশটোৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই কি ব্যৱস্থা লোৱা উচিত বুলি আপুনি ভাবে ?
- এই ক্ষেত্ৰত কলেজৰ শিক্ষকবৃন্দৰ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ দায়িত্ব কি হ'ব লাগিছিল বুলি আপুনি ভাবে ? আমাৰ সপোনৰ কানৈ মহাবিদ্যালয়খনক বিভিন্ন দিশত আগুৱাই নি জাকত জিলিকা কৰি তোলাৰ বাটত চৰম হেঙাৰ স্বৰূপ দিশবোৰ কি বুলি ভাবে ? ইয়াৰ কিবা প্ৰতিকাৰ আছেনে ?
- সীমাবদ্ধ আৰু বাধ্যতামূলক পাঠ্যক্ৰমৰ নিৰ্দিষ্ট পাঠদান দিয়াটোৱেই বৰ্তমানৰ শিক্ষাব্যৱস্থাৰ মূল ভেঁটি এই গতানুগতিকতাৰ বাহিৰে এজন শিক্ষক হিচাপে আপুনি নিজাববীয়াকৈ ছাত্ৰ-ছাত্ৰীৰ নৈতিক আৰু বৌদ্ধিক উত্তৰণৰ কিবা শিক্ষা ব্যৱস্থা লৈছে নেকি ?

## উত্তৰসমূহ :

**ড° ভাৰতী দত্ত,** প্ৰাধ্যাপক, ভূগোল বিভাগ

➲ সম্পূৰ্ণ সুখী বুলি ক'লে ভুল কোৱা হ'ব, এটা শিক্ষাবৰ্ষত নিয়মীয়া পাঠদানৰ সময়ছোৱা বৰ কম। ফেব্ৰুৱাৰী মাহৰ মানৰ পৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা আৰম্ভ হোৱাৰ লগে লগে সকলোবোৰ শ্ৰেণীৰে নিয়মীয়া পাঠদান ব্যাহত হৈ পৰে। আমাৰ মহাবিদ্যালয়ত যিহেতু পৰীক্ষাসমূহ মহাবিদ্যালয়ৰ বৃহৎ প্ৰেক্ষাগৃহতে অনুষ্ঠিত হয়, সেয়ে অন্যান্য শ্ৰেণীসমূহ বিশেষকৈ স্নাতক তৃতীয় আৰু প্ৰথমবৰ্ষৰ শ্ৰেণীসমূহ চলাই থকাত অসুবিধা নহয়। স্নাতক দ্বিতীয় বৰ্ষ আৰু উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পৰীক্ষাসমূহ উল্লিখিত প্ৰথম পৰীক্ষাটোৰ পাছতে অনুষ্ঠিত হয় বাবে এই দুটা শ্ৰেণীৰ কথা ক'ব খোজা নাই। শৈক্ষিক পৰিবেশ বৰ্তাই ৰখাৰ অন্যতম উপায়টোৱেই হ'ল নিয়মীয়া পাঠদান।

বৌদ্ধিক চিন্তা-চৰ্চাৰ পৰিবেশ এটা সৃষ্টি কৰাটো, একান্তই আৱশ্যক। ইয়াৰ বাবে চেমিনাৰ, কৰ্মশালা, বক্তৃতানুষ্ঠান আদি অনুষ্ঠিত কৰাত গুৰুত্ব দিব লাগিব। এনেবোৰ অনুষ্ঠান বিভাগীয় ভিত্তিত পাতিবও পাৰি। অধিক বাহুল্য কৰাৰ কথা ক'ব বিচৰা নাই। কম খৰচতে নিজৰ নিজৰ বিভাগতে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক দিশৰ উন্নতিৰ কথা গুৰুত্বসহকাৰে চিন্তা কৰি এনে কাৰ্যব্যৱস্থা হাতত ল'ব পাৰি।

➲ হয়, আমাৰ মহাবিদ্যালয়ৰ ক্ৰীড়া আৰু সাংস্কৃতিক দিশটোৰ উন্নতি সাধনৰ খুবেই প্ৰয়োজন। দৰাচলতে আমাক এখন উন্নত মানৰ ষ্টেডিয়াম লাগে। বেডমিণ্টন, টেবুল টেনিচ আদি খেলিবলৈ প্ৰয়োজন হোৱা ন্যুনতম সুবিধা নথকাটো নিঃসন্দেহে চিন্তনীয় বিষয়। কৰ্তৃপক্ষই এই ক্ষেত্ৰত কাৰ্যব্যৱস্থা লোৱাটো উচিত। আমাৰ মহাবিদ্যালয়ত বেডমিণ্টন বা ভলীবল আদি খেলিব পৰাকৈ যথেষ্ট ঠাই আছে। প্ৰয়োজন সেই ঠাইডোখৰৰ উচিত ব্যৱহাৰ। এনেয়ে পৰি থকা বাবেই হাবি-জঙ্গলেৰে ঢাক খাই পৰে মহাবিদ্যালয় চৌহদ।

তেনেদৰে এৰি নিদি যদি এই ঠাইবোৰ খেলাৰ উপযোগী কৰি তোলা হয় তেনেহলে ছাত্ৰ-ছাত্ৰীসকল নিশ্চয় উপকৃত হ'ব। আনহাতে উপযুক্ত প্ৰশিক্ষণৰ অভাৱো মই লক্ষ্য কৰিছোঁ। এই দিশটোতো গুৰুত্ব দিব পাৰোঁ বুলি মই ভাবোঁ।

সাংস্কৃতিক দিশত ছাত্ৰ-ছাত্ৰীসকলক আগবঢ়াই নিবলৈ হ'লেও কিছুমান সুবিধা মহাবিদ্যালয়ত থাকিব লাগিব সময়ে সময়ে (মহাবিদ্যালয়ৰ সপ্তাহ বাদ দিও) সাংস্কৃতিক দিশ একোটাত প্ৰতিযোগিতা অনুষ্ঠিত কৰিব পাৰি। Performing Art ৰ Course খোলাৰ ব্যৱস্থা কৰাও এক ফলপ্ৰসূ পদক্ষেপ হ'ব পাৰে।

➡ মহাবিদ্যালয়ৰ ক্ৰীড়া আৰু সাংস্কৃতিক দিশটোৰ উন্নতিৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ শিক্ষকবৃন্দ তথা ছাত্ৰ-ছাত্ৰীসকলৰো নিশ্চয় কৰণীয় আছে।

শিক্ষক-শিক্ষয়িত্ৰীসকলে গুৰুত্বসহকাৰে চিন্তা-চৰ্চা কৰি সেই বিন্দাসমূহ কৰ্তৃপক্ষক অবগত কৰিব পাৰে। কৰ্তৃপক্ষৰ অনুমতি লৈ নিজ প্ৰচেষ্টাৰ প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰাত আগ্ৰহ দেখুৱাব লাগে। যিকোনো কামত পাৰদৰ্শিতা দেখুৱাবলৈ হ'লে, অনুশীলন লাগিবই আৰু অনুশীলনৰ বাবে প্ৰয়োজন উপযুক্ত পৰিবেশ। গতিকে উপযুক্ত পৰিবেশ সৃষ্টি কৰি নিয়মিত অনুশীলনত গুৰুত্ব প্ৰদান কৰিলে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলেও মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনিব পাৰিব তাৰ ব্যৱস্থা কৰাটো কৰ্তৃপক্ষৰ লগতে শিক্ষক-শিক্ষয়িত্ৰী সকলৰো কৰ্তব্য। আনহাতে ছাত্ৰ-ছাত্ৰীৰ তৰফৰ পৰা দেখুওৱা আগ্ৰহে এই ক্ষেত্ৰত অনুঘটকৰ কাম কৰিব।

➡ ওপৰত দিয়া উত্তৰসমূহতে এই প্ৰশ্নৰ কিছু উত্তৰ লুকাই আছেই। লগতে কওঁ যে যিকোনো অনুষ্ঠান জাকত জিলিকা হৈ উঠিবলৈ হ'লে সেই অনুষ্ঠানৰ স'তে ওতপ্ৰোতভাৱে জড়িত প্ৰত্যেকগৰাকী লোকৰে অনুষ্ঠানটিৰ প্ৰতি আন্তৰিক টান, সন্মানজনক মনোভাৱ, আপোনত্বৰ ভাব থাকিলে সেই অনুসৰি কৰ্মতৎপৰ হ'বই। ইয়াত কোনো সন্দেহৰ অৱকাশ নাই। আমাৰ মহাবিদ্যালয়ৰো প্ৰত্যেকে তেনে মনোভাৱ গঢ়ি তুলিব পাৰিলে নিশ্চয় আশানুৰূপ সুফল পোৱা যাব। এই ক্ষেত্ৰত অৱশ্যে মোৰ দৃষ্টিভংগী ইতিবাচক।

➡ গতানুগতিক পাঠদানে অনেকসময়ত ছাত্ৰ-ছাত্ৰীৰ বাবে আমনিদায়কতো হয়েই লগতে ই ছাত্ৰ-ছাত্ৰীৰ নৈতিক আৰু বৌদ্ধিক উত্তৰণত ফলপ্ৰসূ প্ৰভাৱ পেলাব নোৱাৰে। গতিকে শিক্ষক হিচাপে নিশ্চয় এইক্ষেত্ৰত আমি কিছু কৰিবলগীয়া থাকে। প্ৰয়োজন সাপেক্ষে মই ছাত্ৰ-ছাত্ৰীক পাঠদান কৰোঁতে পাঠ প্ৰাসঙ্গিকতা নেহেৰুৱাকৈও কিছুমান নীতিমূলক কথা কোৱাৰ চেষ্টা কৰি আহিছোঁ। আনহাতে তেওঁলোকৰ বৌদ্ধিক উত্তৰণত সহায়ক হোৱাকৈ পাঠ্যপুথি প্ৰসঙ্গপুথি লেখিছোঁ। তেনে পাঁচখনমান কিতাপৰ কপি আমাৰ মহাবিদ্যালয়ৰ কেন্দ্ৰীয় পুথিভঁৰাল বিভাগীয় পুথিভঁৰালত দিয়াৰ উপৰিও গ্ৰামাঞ্চলৰ বিদ্যালয় কেইখনমানত বিনামূলীয়াকৈ আগবঢ়াইছোঁ। ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক উত্তৰণৰ কথা চিন্তা কৰিয়েই আমাৰ ভূগোল বিভাগৰ পৰা ২০০৫ চনৰ পৰা ধাৰাবাহিকভাৱে ধৰিত্ৰী (The Earth) নামৰ ভৌগোলিক দ্বিভাষিক আলোচনী সম্পাদনা কৰি আহিছোঁ। এনে আলোচনী এখন প্ৰকাশ কৰাৰ প্ৰয়োজনীয়তাৰ কথা উলিওৱাত অৱশ্যে বিভাগৰ সকলোৰে ইতিবাচক সঁহাৰি জনোৱাটোও উল্লেখযোগ্য। তথাপিও মই ব্যক্তিগত হিচাপে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে যিমান কৰিব পাৰিব লাগিছিল সিমানখিনি কৰিব পৰা নাই। কিছুমান ক্ষেত্ৰত মন থাকিলেও সীমাৱদ্ধতাৰ মাজত থাকিবলগীয়া হয়। যি কি নহওক ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আমাৰ নিশ্চয় বহু কৰণীয় আছে। তাক অস্বীকাৰ নকৰোঁ। ❖

**ড° আতিকুদ্দিন আহমেদ,** মূৰব্বী অধ্যাপক , অৰ্থনীতি বিভাগ

➡ প্ৰথমেই ক'ব লাগিব যে দেশ আৰু জাতিৰ পৰিচয় সাম্প্ৰতিক বিশ্বায়নৰ প্ৰভাৱে যথেষ্ট বহল অৰ্থত প্ৰকাশ কৰিছে।

একে আষাৰে ক'বলৈ গ'লে মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশক লৈ মই সুখী। কাৰণ শিক্ষানুষ্ঠান এখনত যি এক সুস্থ শৈক্ষিক পৰিবেশ থাকিব লাগে সেয়া আমাৰ মহাবিদ্যালয়ত আছে। এতিয়া বস্তুনিষ্ঠভাৱে শৈক্ষিক আৰু বৌদ্ধিক পৰিবেশ পৰিমাপ কৰিব পাৰি। ইতিমধ্যে ৰাষ্ট্ৰীয় মূল্যায়ন পৰিষদে আমাৰ মহাবিদ্যালয়খন B++ গ্ৰেডেৰে মূল্যাংকন কৰি স্বীকৃতি প্ৰদান কৰিছে।

➡ আমাৰ মহাবিদ্যালয়ৰ ক্ৰীড়া আৰু সাংস্কৃতিক দিশটো অতি-গৌৰৱময় আছিল। সীমিত সা-সুবিধাৰ মাজতে তেতিয়া ছাত্ৰ-ছাত্ৰীসকলে সাহিত্য, সঙ্গীত, খেলা-ধূলা আদি চৰ্চা কৰি কৃতিত্ব অৰ্জন কৰিছিল। ইয়াৰে ভিতৰত বিষ্ণু খাৰঘৰীয়া, বিজু ফুকন, ছৈয়দ ছাদুল্লা, জ্যোতিষ ভট্টাচাৰ্য্য, ৰাজেন গোহাঁই, ভবেশ গোস্বামী, অৱনীন্দ্ৰ চৌধুৰী, শান্তনু সেনগুপ্ত, ঝৰ্ণা শইকীয়া, ব্ৰজেন বৰা, অতুল পেগু, ডলী ঘোষ, মন্দিৰা শৰ্মা আদিৰ নাম উল্লেখযোগ্য।

অৰ্থাৎ সাহিত্য-সংস্কৃতিৰ দিশটো কোনোবাই কিবা সুবিধা দি উন্নত কৰিব বুলি ভবাটো ভুল হ'ব। ইয়াৰ বাবে মহাবিদ্যালয়ত এটা পৰিবেশ ছাত্ৰ-ছাত্ৰীসকলে নিজেই সৃষ্টি কৰিব লাগিব। শিক্ষক সকলে এনে কাৰ্য্যত সহযোগ নকৰাৰ কোনো কাৰণ নাই। কিন্তু, এই

কথাও আজি অপ্রিয় সত্য যে ইলেক্ট্রনিক মাধ্যমটোৰ জনপ্ৰিয়তাই ছাত্ৰ সমাজৰ স্বকীয় কিন্তা-চৰ্চাত কিছু নেতিবাচক প্ৰভাৱ পেলাইছে। ইয়াৰে আকৌ প্ৰতিফলন হৈছে সাম্প্ৰতিক মহাবিদ্যালয়খনৰ ক্ৰীড়া আৰু সাংস্কৃতিক ক্ষেত্ৰখনত।

অৱশ্যে কলেজৰ খেলপথাৰখনৰ আজি পৰ্য্যন্ত উন্নতি নোহোৱাটো এটা অতি পৰিতাপৰ কথা। ডিব্ৰুগড়ৰ প্ৰাক্তন সাংসদ গৰাকীক খেল পথাৰৰ উন্নতিৰ ব্যৱস্থা কৰিবলৈ দুবাৰকৈ অনুৰোধ জনাই Plan & estimate জমা দিয়া হৈছিল। কিন্তু ইয়াৰ ফলাফল জানিব পৰা নগ'ল।

তদুপৰি ২০৩ চনত প্ৰাক্তন কানৈয়ান সকলে মিলি কলেজখনক ব্যয়বহুল 'Gym' এটা দান কৰিছিল। কিন্তু কিছুদিন ছাত্ৰসকলে ব্যৱহাৰ কৰাৰ পিছত কোনো দুষ্টলোকে তাৰ আনুষঙ্গিক সৰঞ্জাম কেইপদমান চুৰি কৰি নিয়াত বৰ্তমান 'Gym' টো বিকল হৈ পৰি আছে। এইবোৰেই হৈছে সীমাবদ্ধতাৰ স্বৰূপ আৰু ক্ৰীড়া সংস্কৃতিৰ উন্নতিৰ স্বাৰ্থত জৰুৰীভাৱে বিচাৰ্য্য বিষয়।

➲ আগৰ প্ৰশ্নোত্তৰতে এই প্ৰশ্নৰ উত্তৰো সোমাই আছে।

আজিৰ তাৰিখত অন্তৰায়সমূহ হৈছে –

- ছাত্ৰ-ছাত্ৰীসকলৰ চলিত শিক্ষা ব্যৱস্থাটোৰ প্ৰতি চৰম অনীহা,
- মূল্যবোধৰ স্খলন,
- বৰ্দ্ধিত অৰ্থলিপ্সা,
- সমাজত দৰ্নীতিৰ পয়োভৰ,
- বাস্তৱসন্মত শিক্ষা নীতিৰ অভাৱ,
- ভোগবাদৰ প্ৰসাৰ,
- নিবনুৱা সমস্যাৰ ভয়াবহতা
- দীঘলীয়া আন্দোলন সমূহৰ প্ৰভাৱ ইত্যাদি।

প্ৰতিকাৰ নিশ্চয় আছে। ইয়াৰ বাবে শিক্ষক, ছাত্ৰ, চৰকাৰ আটাইৰে আত্মসমালোচনাৰ প্ৰয়োজন।

➲ বৰ্তমান অৱস্থাত আমাৰ শিক্ষা ব্যৱস্থাটোৰ ছাত্ৰ-ছাত্ৰীৰ নৈতিক আৰু বৌদ্ধিক উত্তৰণৰ বাবে কোনো 'in-built' mechanism নাই। আনহাতে এজন শিক্ষকে নিজাকে শিক্ষা ব্যৱস্থাটোৰ ওপৰত কিবা কৰাৰ একো উপায়ো নাই। তথাপি আমাৰ দৰে বহু শিক্ষকে নিজৰ সামাজিক দায়বদ্ধতা উপলব্ধি কৰি লেখা-মেলাৰ যোগেদি এই কাম সামান্যভাৱে হলেও কৰি আছে। ❖

মই মোৰ বাহিৰে পৃথিৱীৰ আন কাকোৱেই বুজিব
নোখোজো, কাৰণ মই নিজক যিমান ভালদৰে
জানো পৃথিৱীৰ আন কাকোৱেই সিমান
ভালদৰে নাজানো . . .

# মুকলি চিঠি

প্ৰতি,

সম্পাদক মহোদয় কানৈয়ান

ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়

ঐতিহ্যমণ্ডিত কানৈ মহাবিদ্যালয় অসমৰ শৈক্ষিক মহাকাশৰ এটা উজ্বল ভোটাতৰাস্বৰূপ। নিজস্ব জ্যোতিৰে জ্যোৰ্তিময় কৰি তুলিবলৈ কিছু হলেও সফল হৈছে ই অসমৰ শৈক্ষিক জগতত দেখা দিয়া অমানিশাৰ। অন্ধকাৰ। বিভিন্ন জন গুণ জ্ঞানী ব্যক্তি এই মহাবিদ্যালয়খনিতে শিক্ষা গ্ৰহণ কৰি বিভিন্ন সু-প্ৰতিষ্ঠিত দিশত প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছে। মহাবিদ্যালয়ৰ উন্নত ফলাফলেই ইয়াৰ শৈক্ষিক দিশৰ উন্নয়নক সূচায়। কানৈ মহাবিদ্যালয়ৰ ফলাফল যথেষ্ট উন্নত কিন্তু ইয়াত আৰু উন্নয়নৰ সম্ভাৰনীয়তা আছে। ইয়াৰ বাবে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই কিছুমান বিশেষ ব্যৱস্থা হাতত ল'ব লাগিব। যেনে ধৰা হ'ল ; বৰ্তমান যুগত ইণ্টাৰনেটৰ সহায়ত বিভিন্ন দূৰত্বত থকা দেশসমূহৰ লগতো ক্ষিপ্ৰভাৱে যোগাযোগ স্থাপন কৰিব পৰা যায়। ইয়াৰ উপৰিও ইণ্টাৰনেটৰ জৰিয়তে বিভিন্ন বিষয় সম্পৰ্কীয় তথ্যপাতি অতি ক্ষিপ্ৰতাৰে যুগুতাব পাৰি। গতিকে এনে এক উল্লেখনীয় সুবিধা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে সহজলভ্য কৰিব লাগে। ইয়াৰ কলেজ কৰ্তৃপক্ষই মহাবিদ্যালয়সমূহত ৰাজ্যিক বা ৰাষ্ট্ৰীয় ভিত্তিত বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ৰ আলোচনাসমূহ বিভিন্ন গুণ-জ্ঞানী লোকক নিমন্ত্ৰণ জনাই আয়োজন কৰিব লাগে। কেৱল মাত্ৰ শৈক্ষিক উন্নয়নেহে যে কলেজখনৰ ভৱিষ্যতৰ উজ্বল পথত আগুৱাই নিয়াত সহায় কৰিব এনে নহয়। সাংস্কৃতিক বা ক্ৰীড়াৰ উন্নতিৰ ক্ষেত্ৰতো কলেজ কৰ্তৃপক্ষই গুৰুত্ব দিব লাগে। ইয়াৰ উপৰিও কিছুমান সাধাৰণ দিশ যেনে ধৰা হওক মহাবিদ্যালয়খনিৰ শ্ৰেণীসমূহ নিয়মীয়া হৈছে নাই, এটা উন্নত পৰ্যায়ৰ পৰীক্ষাগাৰ নিৰ্মাণ আদিৰ ওপৰতো গুৰুত্ব দিব লাগে। এইখিনি হৈছে কলেজ কৰ্তৃপক্ষই সম্পাদনা কৰিবপৰা এটা পৰ্যায়ৰ দায়িত্বহে। ইয়াক কিন্তু সফল কৰাৰ ক্ষেত্ৰত মুখ্য ভূমিকা ল'ব লাগিব মহাবিদ্যালয়খনিৰ ছাত্ৰ-ছাত্ৰীসকলে। ছাত্ৰ-ছাত্ৰীসকলেই যদিও সজাগ নহয় উপযুক্ত সম্পূৰ্ণ ব্যৱস্থাৱলীয়েই বিফল হৈ পৰিব।

উপৰোক্ত পৰামৰ্শ তথা দিশসমূহ মই সম্পাদক মহোদয়ৰ দৃষ্টিগোচৰ কৰিলো। সম্পাদক মহোদয়ে মহাবিদ্যালয়খনিৰ উন্নতিৰ প্ৰতি লক্ষ্য ৰাখি এই বিষয়সমূহ সমাজৰ দৃষ্টিগোচৰ কৰাত সহায় কৰিব বুলি আশা ৰাখিলোঁ।

– শ্ৰী সৌৰভজ্যোতি গগৈ

স্নাতক দ্বিতীয় বৰ্ষ

# মুকলি চিঠি

To

**The Editor**
**D.H.S.K. College, Dibrugarh**

**Sub : Suggestions for the development of the College.**

Sir,

With due respect I take the honour to state forward some of my suggestions which I think would help our college to prosper and develop in a positive aspect. Firstly, the uniforms must be checked and the access to the college through the canteen must be prohibited as because the people from outside get an opportunity to enter the college premisses and damage the property of the college. An aqua guard must be placed for germ-free water. The common room must be sweeped everyday for a beter environment. Moreover all the classrooms must be cleaned and sweeped everyday. During rainy days water pour into the galleries and cows, dogs make the classrooms and galleries realy very dirty. So proper attention must be given to mantain them clean. There is water Hockade near the college gate, rather than repairin the road I think brigdes must be made or the footh-paths must be made high so as water do not disturb the students. The candidates' academic records such as results, attandance must be checked before that get the chance to be nominated for college elections. As because the dull and the students who fight can never think of the welfare and prosperity of the college. The pass-course classes must be conducted regularly. During any function in the college auditorium complete discipline must be maintained and those who fight or use bad language during the functions, must be thrown out of the auditorium. After the conduct of any tests, results must be given by the teacher-in-charge. Seminars must not only be held in the departments but in front of the whole college. The garden of the college must be well maintained. With this I would like to conclude my letter.

Hope these suggestions would help in the development of the college and make it more better.

Faithfully yours

\- Monalisa Borthakur

# মোৰ এবছৰীয়া কাৰ্য্যকালৰ আদিতম খোজটো দিছিলোঁ কেনেদৰে . . .

## আলোচনী সম্পৰ্কীয় প্ৰথম বৈঠক ২০০৮-০৯

উপস্থিত সদস্যসকল –

(১) ড° উষাবাণী বৰুৱা
(২) শ্ৰীমতী ৰূপালীম ঠাকুৰ
(৩) ড° ভাৰতী দত্ত
(৪) বিভূতি ভূষণ বৰুৱা

আলোচনা –

(১) সম্পাদনা সমিতি গঠন

| | |
|---|---|
| সভাপতি – | ড° জয়কৃষ্ণ মহন্ত |
| উপদেষ্টা – | (১) ড° উষাবাণী বৰুৱা |
| | (২) অধ্যাপিকা ৰূপালীম ঠাকুৰ |
| তত্বাৱধায়িকা – | ড° ভাৰতী দত্ত |
| সম্পাদক – | শ্ৰী বিভূতি ভূষণ বৰুৱা |
| সদস্যা – | শ্ৰী নয়নমণি সোনোৱাল |

২০০৮-০৯ বৰ্ষৰ কানৈয়ান আলোচনী সম্পৰ্কীয় প্ৰথমখন বৈঠক ০৬-১১-০৮ তাৰিখে অনুষ্ঠিত হয়। উপদেষ্টাদ্বয়, তত্বাৱধায়িকা আৰু সম্পাদকৰ উপস্থিতিত ভূগোল বিজ্ঞান বিভাগত অনুষ্ঠিত বৈঠকত আলোচনা কৰা হয় প্ৰথমেই সম্পাদনা সমিতিখনি গঠনৰ সম্পৰ্কত ড° জয়কৃষ্ণ মহন্তক সভাপতি, উপদেষ্টা ড° উষাবাণী বৰুৱা, অধ্যাপিকা ৰূপালীম ঠাকুৰ, তত্বাৱধায়িকা ড° ভাৰতী দত্ত, সম্পাদক শ্ৰী বিভূতিভূষণ বৰুৱা আৰু সদস্য হিচাপে শ্ৰীনয়নমণি সোনোৱাল প্ৰমুখ্যে চাৰিগৰাকী ছাত্ৰ-ছাত্ৰী (তিনিগৰাকী ছাত্ৰ-ছাত্ৰী নিৰ্বাচন কৰাৰ দায়িত্ব সম্পাদকক অৰ্পণ কৰা হয়)ক লৈ নজনীয়া সম্পাদনা সমিতিখন সৰ্বসন্মতিক্ৰমে গঠন কৰা হয়। অতি সোনকালেই আলোচনীৰ বাবে লেখা আহ্বান কৰি ছাত্ৰ-ছাত্ৰীসকলক জাননী দিবলৈ সম্পাদকক দায়িত্ব দিয়া হয়। আলোচনীত ছাত্ৰ-ছাত্ৰীৰ লেখক অগ্ৰাধিকাৰ দিব লাগে বুলি ড° ভাৰতী দত্তই কয় আৰু দুয়োগৰাকী উপদেষ্টাই ইয়াত সন্মতি প্ৰকাশ কৰে। ড° উষাবাণী বৰুৱাই অধ্যাপক-অধ্যাপিকাৰ পৰা লেখা বিচাৰিলে সোনকালেই তেখেতসকলৰ স'তে যোগাযোগ কৰিবলৈ পৰামৰ্শ আগবঢ়ায় আৰু বিষয়বস্তু আগতীয়াকৈ জনোৱাৰ কথা কয়। অধ্যাপিকা ৰূপালীন ঠাকুৰে মহাবিদ্যালয়ৰ বিদ্যায়তনিক সফলতাৰে খতিয়ান দাঙি ধৰি এটি প্ৰবন্ধ প্ৰকাশ কৰাৰ পৰামৰ্শ আগবঢ়ায়।

আলোচনীখনি আটক-ধুনীয়া ৰূপত প্ৰকাশ কৰাৰ বাবে প্ৰচেষ্টা গ্ৰহণ কৰাটোত সকলোৱে সহমত প্ৰকাশ কৰে। সম্পাদকে তেওঁক অৰ্পণ কৰা দায়িত্ব অনতিপলমে পালন কৰিব বুলি কয়। লেখাসমূহ গোট খোৱাৰ পাছত ২য় খন বৈঠক অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

এনেদৰে . . .

সম্পাদক

# কর্মসংস্থাপনমুখী পাঠ্যক্রম

অসমৰ অগ্ৰণী শিক্ষানুষ্ঠান I.T.ত ২০১০ চনৰ বাবে নিম্নোক্ত বৃত্তিমুখী পাঠ্যক্রমবোৰৰ নামভৰ্তি আৰম্ভ কৰা হৈছে। এই পাঠ্যক্রমসমূহ সমাপ্ত কৰি ইতিমধ্যে বহুশতাধিক ছাত্ৰ-ছাত্ৰী বিভিন্ন কৰ্মক্ষেত্ৰত নিযুক্তি প্ৰাপ্ত হৈছে। এই সফলতাই হৈছে I.T.ৰ গৌৰৱ।

| *ক্ৰমিক নং* | *পাঠ্যক্রম* | *ম্যাদ* |
|---|---|---|
| ১ | প্লাষ্টিক প্ৰচেচিং এণ্ড টেকনলজি (Plastic Processing and Technology) | ১২ মাহ |
| ২ | গ্ৰাফিক্‌ছ এণ্ড এনিমেশন (Graphics and Animation) | ৬/১২ মাহ |
| ৩ | ইলেকট্ৰনিক্‌ছ এণ্ড টেলিকমিউনিকেশন (Electronics and Communication) | ৬ মাহ |
| ৪ | ইলেকট্ৰিকেল এণ্ড হোম এপ্লাইন্‌চ (Electronical and Home Appliance) | ৬ মাহ |
| ৫ | মবাইল ৰিপেয়াৰিং (Mobile Repairing) | ৬ মাহ |
| ৬ | ফিটাৰ (Fitter) | ১২ মাহ |
| ৭ | অটোমবাইল ইঞ্জিনিয়াৰিং (Automobile Engineering) | ১২ মাহ |
| ৮ | ডিজেল মেকানিকচ্ (Diesel Mechanics) | ১২ মাহ |
| ৯ | মণ্টেশ্বৰী শিক্ষয়ত্ৰীৰ প্ৰশিক্ষণ (Motessori Teachers Training) | ৩/৬ মাহ |
| ১০ | লাইব্ৰেৰী এণ্ড ইনফৰমেচন ছাইঞ্চ (Library and Information Science) | ১২ মাহ |
| ১১ | অসমীয়া সাংবাদিকতা (Journalism) | ৬/১২ মাহ |
| ১২ | কম্পিউটাৰ পাঠ্যক্রম (Computer Course) | ১/৩/৬/১২ মাহ |
| ১৩ | ইণ্টাৰিয়ৰ ডিজাইনিং (Interior Designing) | ১২ মাহ |
| ১৪ | ফেশ্বন ডিজাইনিং (Fashion Designing) | ১২ মাহ |
| ১৫ | ৰেডিঅ জকি এণ্ড মিডিয়া এংকৰিং (Radio Jokey and Media Anchoring) | ৬ মাহ |

# INSTITUTE OF TECHNOLOGY

## Dibrugarh Centre

Parijat Academy Building, West Milan Nagar, "O" Lane
Dibrugarh - 3 (Assam)

## Jorhat Centre


DCB Road, Tarajan, Jorhat - 785001 (Assam)

## Guwahati Centre

Chandmari Housing Colony, Near Chanmari Police Station
House No. - 248

Phone No. - (0376) 2371740, 9435050421, 9435050975

# সততাৰে মহীয়ান হওঁ আহা



কোনে জানে ইয়াৰ শুদ্ধ ঠিকনা
ছিন্নমূল মানুহৰ অভিশপ্ত আত্মা
সেয়াতো আকাশে নহয়

# কানৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ ২০০৮-০৯ বৰ্ষৰ বিষয়ববীয়াসকলৰ প্ৰতিবেদন

## উপ-সভাপতিৰ প্ৰতিবেদন

জ্ঞানৰ জ্যোতিৰে নিজৰ সমাজখনক উজ্বল কৰিবৰ বাবে কৰা প্ৰয়াসেৰে যিসকল অমৰ মনীষীৰ অকুণ্ঠ প্ৰচেষ্টাত ঐতিহ্যমণ্ডিত এই মহাবিদ্যালয়খনত এগছি জ্ঞানৰ শিখা জ্বলিছিল আৰু যিসকল ব্যক্তিয়ে এতিয়াও এই শিখা জ্বলাই ৰাখিছে সৰ্বপ্ৰথমে সেইসকল ব্যক্তিলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

মোৰ আপোন মহাবিদ্যালয়খনত মোৰ দিনবোৰ যিমানে আগুৱাই গৈছিল সিমানে দেখিবলৈ পাইছিলোঁ ইয়াৰ বিভিন্ন সমস্যাবোৰ। সতীৰ্থসকলৰ মৰমৰ দাবী, আপোনসৰৰ সঁহাৰি আৰু মনৰ উদ্যোগৰ বশৰতী হৈ অৱশেষত নিৰ্বাচিত হৈছিলোঁ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতিৰূপে। এই সুযোগতে সাধাৰণ নিৰ্বাচনত ভোটদান সাব্যস্ত কৰা সমূহ সতীৰ্থ তথা অনুজসকললৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

বহু সমস্যা আছে, কিন্তু তাৰ ফলস্বৰূপে মই মহাবিদ্যালয়খনলৈ অলপ হলেও সেৱা আগবঢ়োৱাৰ সুবিধা পালোঁ, কিন্তু তাৰ কিমান সমাধান আগবঢ়াব পাৰিলো বা কিমান সফল হব পাৰিলো প্ৰতিবেদনৰ পাতত উল্লেখ কৰাতকৈ তাৰ বিচাৰৰ দায়িত্ব আপোনাসৰৰ ওপৰত এৰিলোঁ। তথাপি বাৰ্ষিক ক্ৰিয়া সপ্তাহ আৰু নৱাগত আদৰণী সভাৰ লগতে ইয়াৰ আনুষংগিকভাৱে অনুষ্ঠিত সাংস্কৃতিক সন্ধিয়া সফলভাৱে আয়োজন কৰাত আমি অৱহেলা কৰা নাছিলোঁ।

শেষত বিগত বছৰটোত বিভিন্ন সহায় সহযোগিতা আগবঢ়োৱাৰ বাবে অধ্যক্ষ মহোদয়, অধ্যাপক-অধ্যাপিকাসকলৰ লগতে কৰ্মচাৰীসকল আৰু সমূহ ছাত্ৰ-ছাত্ৰীসকললৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰি মোৰ এবছৰীয়া দস্তাবেজ ইমানতে সামৰিলোঁ।

জয়তু কানৈ মহাবিদ্যালয়
॥ জয়তু ছাত্ৰ একতা সভা। ।

– সুনীল বড়া
উপ-সভাপতি
২০০৮-০৯ বৰ্ষ

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আগলি পাততেই সেইসকল সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ, যিসকলৰ সৃষ্টিকামী মনোভাবৰ লগতে কায়িক মানসিক শ্ৰম আৰু ত্যাগৰ বিনময়ত বৰ্তমান কানৈ মহাবিদ্যালয় উজনি অসমৰ এখনি আগশাৰীৰ মহাবিদ্যালয় হিচাপে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে।

সাধাৰণ সম্পাদক ৰূপে সেৱা আগবঢ়াবলৈ পাই নিজকে সঁচাই ধন্য মানিছোঁ। মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, শিক্ষাগুৰুসকল, কাৰ্যালয়ৰসমূহ কৰ্মচাৰী তথা বিভাগীয় সম্পাদকসকলৰ লগতে যিসকল ছাত্ৰ-ছাত্ৰীয়ে ২০০৮-০৯ বৰ্ষৰ সাধাৰণ সম্পাদকৰূপে নিৰ্বাচিত কৰি মোক প্ৰত্যক্ষভাৱে মহাবিদ্যালয়ৰ সেৱা আগবঢ়োৱাৰ সুযোগ দিলে তেখেতসকললৈ মোৰ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ। মোক সহায় আৰু অনুপ্ৰেৰণা যোগাই অহাৰ বাবে এইখিনিতে তেওঁলোকলৈও কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

**সাধাৰণ সম্পাদক হিচাপে কাৰ্যকালৰ খতিয়ান ঃ**

পুৰণিক বিদায় দি নতুনক আদৰাটোৱেই প্ৰকৃতিৰ নিয়ম। এই নিয়ম অনুসৰি আমিও আমাৰ মহাবিদ্যালয়লৈ নতুনকৈ অহা ছাত্ৰ-ছাত্ৰীসকলক আদৰাৰ মানসেৰে নৱাগত আদৰণি সভাখন দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত কৰিছিলোঁ। পুৱা ৮.০০ বজাত আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ে পতাকা উত্তোলন কৰি দিনটোৰ কাৰ্যসূচীৰ আৰম্ভণি কৰিছিল। শ্বহীদ তৰ্পণ কৰিছিল ভূগোল বিভাগৰ মূৰব্বী অধ্যাপক নৰেন্দ্ৰ মাহেলা ছাৰে। নৱাগত সভাৰ মুকলি সভা আৰম্ভ কৰিছিল অধ্যক্ষ মহোদয়ে। সভাত সভাপতিত্ব কৰিছিল ড০ জয়কৃষ্ণ মহন্ত ছাৰে। তেখেতৰ তত্ত্বগধুৰ সাৰুৱা বক্তৃতাই ছাত্ৰ-ছাত্ৰীসকলক যথেষ্ট উৎসাহ যোগাইছিল। তেখেতলৈ মোৰ ফালৰপৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

**মহাবিদ্যালয় সপ্তাহ ঃ**

মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ অতি আকাংক্ষিতা মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰা হয় ২৩ ডিচেম্বৰ, ২০০৯ তাৰিখৰ পৰা। মহাবিদ্যালয়ৰ সপ্তাহৰ পতাকা উত্তোলন কৰিছিল আমাৰ শ্ৰদ্ধাৰ নৰেন্দ্ৰ মাহেলা ছাৰে। ইয়াৰ পিছৰ কেইদিনত মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰি শেষৰ দিনা মুকলি সভা অনুষ্ঠিত কৰা হয়। মুকলি সভা উদ্বোধন কৰিছিল অধ্যক্ষ মহোদয়ে।

ছাত্ৰ-ছাত্ৰী একতা সভাৰ পৰা বিদায় লোৱাৰ প্ৰাক্ মুহূৰ্তত আমি মহাবিদ্যালয়ৰ শ্ৰীশ্ৰী সৰস্বতী পূজা অতি উলহ-মালহেৰে আয়োজন কৰা হৈছিল।

মোৰ এবছৰীয়া কাৰ্যকালত সকলো দিশতে দিহা-পৰামৰ্শ আগবঢ়োৱা মাননীয় অধ্যক্ষ ছাৰ, নৰেন্দ্ৰ মাহেলা ছাৰৰ ওচৰত মই চিৰকৃতজ্ঞ। তেখেতসকলৰ সহায়-সহযোগিতা আৰু সৎ-পৰামৰ্শৰ বাবেহে মোৰ দায়িত্ব সুচাৰুৰূপে পালন কৰিব পাৰিলোঁ। ইয়াৰ লগতে মোক দিহা পৰামৰ্শ দিয়াসমূহ ছাৰ-বাইদেউ আৰু কৰ্মচাৰীলৈ কৃতজ্ঞতা জনালোঁ। ইয়াৰ উপৰিও মোক প্ৰতিটো কামতে সহায় সহযোগ কৰা ছাত্ৰ-ছাত্ৰীসকললৈ আৰু ছাত্ৰ একতা সভাৰ সকলো সদস্য-সদস্যালৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সৰ্বশেষত কানৈ মহাবিদ্যালয়ৰ দীৰ্ঘায়ু কামনা কৰাৰ লগতে মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুলৰ বাবে ক্ষমা প্ৰাৰ্থনা জনালোঁ।

জয়তু কানৈ মহাবিদ্যালয়

॥ জয়তু কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা ॥

**– নয়নমণি সোনোৱাল**

সাধাৰণ সম্পাদক

২০০৮-০৯ বৰ্ষ



# REPORT OF THE ASSISTANT GENERAL SECRETARY

At the very outset, I pay my gratitude and heartful thanks to all the "Kanoians" for giving me the opportunity to serve as their "Assistant General Secretary" for the session 2008-09 of their great educational institution, i.e. DHSK college, a well known temple of education in the entire North-East.

As a part of the union society, I took my oath before the college authority to abide the rules and regulations of the college and to maintain its prestige in every possible way.

Everyone thinks when we win its great. Yes being vistorious it is great but the students only see the beautiful label of the container but inside there is sour, hate, betrayl etc.

During our session, we organised the 63rd annual college week which starts from 2008. Being the AGS of the college I have been in-charge of making the banner of the college week, to put on the flags one the college campus and to publish the baflets in which the entire schedule of the college week had been written.

Lastly, I would like to thank our respected Principal sir, Dr. Joy Krishna Mahanta, the teachers, the student union members' all my friends and all the students for helping me in making the annual college week on successful event.

In conclusion, all the Kanoians, I wish you good luck and have a bright future. Don't only be a Kanoian be proud to be an Kanoian. At last, I pray to the almight to bless us.

LONG LIVE DHSK COLLEGE
LONG LIVE KANOIANS
LONG LIVE UNION SOCIETY

JOI AAI AXOM.

With love,

**Anand Gogoi**
Assistant General Secretary
2008-09



# আলোচনী সম্পাদকৰ প্ৰতিবেদন

অসমৰ বিশিষ্ট সমাজকৰ্মী কষ্টসহিষ্ণু, সু-পৰিকল্পিত প্ৰচেষ্টা, স্বত্বাধিকাৰীৰ দান বৰঙণি আৰু শিক্ষাবিদৰ নেৰানেপেৰা চেষ্টাৰ ফলশ্ৰুতিত প্ৰাণপাই উঠা অসমৰ ভিতৰতে আগশাৰীৰ শিক্ষানুষ্ঠান কানৈ মহাবিদ্যালয়ৰ আলোচনী সম্পাদকৰ দায়িত্ব গ্ৰহণৰ সুবিধা পাই স্বাভাৱিকতেই গৌৰৱান্বিত হৈছিলোঁ। এই পুৰোধা ব্যক্তিৰ ত্যাগৰ মূল্য দিব নোৱাৰিলেও সামান্যতম কৰ্তব্যৰ ভাৰ লৈ তেখেতসকলক সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ। যিসকল সতীৰ্থ, অগ্ৰজ-অনুজই স্নেহ, গভীৰ আস্থা বিশ্বাসেৰে মহাবিদ্যালয়ৰ ৬০তম্ আলোচনী প্ৰকাশৰ দায়িত্ব দি মোক প্ৰেৰণাৰে প্ৰলুব্ধ কৰালে, চিৰকৃতজ্ঞ মই তেখেতসকলৰ ওচৰত।

কানৈয়ানসকলৰ সামগ্ৰিক, শাৰীৰিক, বৌদ্ধিক উত্তৰণৰ মানদণ্ড প্ৰতিফলিত হোৱাকৈ মহাবিদ্যালয়ৰ দাপোনস্বৰূপ কানৈয়ানখনি যথাসম্ভৱ স্বচ্ছ কৰিবলৈ চেষ্টা কৰিছিলোঁ। মহাবিদ্যালয়ত সাহিত্যৰ এক সুস্থ বাতাবৰণ সৃষ্টি কৰি ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভাৰ উৎঘাটন আৰু সৃষ্টিৰ তাড়নাক উজ্জীৱিত কৰাৰ প্ৰথমটো সুবিধা মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহতে পাইছিলোঁ। এই ক্ৰীড়া সপ্তাহৰ লগত সঙ্গতি ৰাখি চাৰিটা ভাগত বিভক্ত কৰি আয়োজন কৰিছিলো সাহিত্য প্ৰতিযোগিতা। তাৰ ভিতৰত আছিল - প্ৰবন্ধ প্ৰতিযোগিতা, গল্প প্ৰতিযোগিতা, কবিতা প্ৰতিযোগিতা আৰু সম্পাদকলৈ চিঠি লিখা প্ৰতিযোগিতা।

এই সুযোগতে প্ৰতিযোগিতাখনিত যোগদান কৰা সকলো প্ৰতিযোগীকে ধন্যবাদ জ্ঞাপন কৰিছোঁ। প্ৰতিযোগিতাখনি সফলভাৱে ৰূপায়নত পূৰ্ণ সাহাৰ্য আগবঢ়োৱা ভাইটি চিত্ৰৰঞ্জনক আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। মোৰ দুদীৰ্ঘ কাৰ্য্যকালত এইকেইটা সাহিত্য প্ৰতিযোগিতা পতাৰ বাহিৰে আন বিশেষ কিবা কৰাৰ সুযোগ সুবিধা উলিয়াব নোৱাৰাৰ বাবে মই দুখিতঃ। কিয়নো, মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত দেখুওৱা অনীহা আৰু সংকীৰ্ণ মনোভাৱবোৰে বহুক্ষেত্ৰত মোৰো দুহাত বান্ধি পেলাইছিল। বৰ পৰিতাপৰ বিষয় যে একালৰ সাহিত্য-সংস্কৃতিৰ ফলে ফুলে জাতিষ্কাৰ হৈ থকা ঐতিহ্যমণ্ডিত কানৈ মহাবিদ্যালয়ৰ চৌপাশৰ প্ৰতিভাৰ সুগন্ধি পখিলাবোৰ আধুনিকীকৰণৰ ফলততেই নে কিহবাৰ নিষ্ঠুৰতাত উৰিফুৰা দেখা নাযায় এতিয়া। মহাবিদ্যালয়ৰ লগত জড়িত প্ৰতিজন ব্যক্তিৰে আস্থা, ঐকান্তিকতা আৰু সমূহীয়া প্ৰচেষ্টাৰ অবিহনে একালৰ সেই সুস্থ বাতাবৰণ ঘূৰাই আনিব পৰাটো সম্ভৱ নহয়। অন্যথা যি অলপ গতানুগতিকতাৰ বাহাল আছে সেইয়াও সভ্যতাৰ পাক্চকৰিত জাহ যাবগৈ কেতিয়াবা।

যিসকল কানৈয়ানে আস্থা সহকাৰে মোক আলোচনী সম্পাদকৰ গছত উঠাইছিল, পাছমুহূৰ্ত্ততে তেওঁলোকেই গছৰ গুৰি কাটি মোক হতাশাৰ গভীৰতালৈ ঠেলি দিছিল। আলোচনী সম্পাদনাৰ সম্পাদনা সমিতিখনত শ্ৰদ্ধাৰ উপদেষ্টাদ্বয় আৰু তত্বাৱধায়িকাৰ বাহিৰে আন কোনো ছাত্ৰ-ছাত্ৰীয়ে সদস্য হিচাপে কাম কৰাৰ আগ্ৰহ প্ৰকাশ নকৰাত মই সঁচাকৈ মৰ্মাহত হৈছিলোঁ। তথাপিও দায়িত্ববোধ নেহেৰুৱাই সমূদায় কামবোৰ অকলশৰেই কৰি যোৱাৰ বাবে, বহু সময়ত নিজৰেই তৎপৰতাৰ অভাৱত সময়ৰ গতিশীলতাৰ লগত খোজ মিলাব পৰা নাছিলোঁ। এই ক্ষেত্ৰত মোৰ দোষ-নিৰ্দোষ পুচুৰে সমাজেই বিচাৰ কৰক। আলোচনীখনৰ বৌদ্ধিক আন্তঃগাঁঠনিটোত ৰহণ সানিবলৈ ৰং-তুলিকা, আ-অলংকাৰ বিচাৰি কাষচাপিছিলো কানৈ মহাবিদ্যালয়ৰ ইতিহাস আৰু জন্ম বৃতান্তৰ জলন্ত সাক্ষীস্বৰূপ প্ৰাক্তন কানৈয়ান, শ্ৰদ্ধাৰ দেৱীপ্ৰসাদ খাউণ্ডদেৱৰ কাষলৈ। লগতে আলোচনীখনৰ সৌষ্ঠৱ বৃদ্ধিৰ বাবে চুটি গল্পকাৰ ইমৰাণ ছাহৰ এটি চমু সাক্ষাৎকাৰ **আত্মশুদ্ধিৰ ঢৌ তুলি** শিতানত আপোনালোকলৈ আগবঢ়াইছো।

আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত ভুল এটি নথকাকৈ মহাবিদ্যালয়ৰ মান অক্ষুণ্ণ ৰখাৰ বাবে মই আপ্ৰাণ চেষ্টা কৰিছিলোঁ। তথাপি সাহিত্যৰ ক্ষেত্ৰত থকা মোৰ দৈন্যৰ বাবে অনিচ্ছাকৃতভাৱে যি যোৱা আসোঁৱাহবোৰ সদাশয় ব্যক্তি বা কৰ্তৃপক্ষই আঙুলিয়াই দিলে মই ধন্য হ'ম।

অৱশেষত কলেজখনৰ ভৱিষ্যত সাফল্যবোৰৰ উত্তৰোত্তৰ কামনা কৰি প্ৰতিবেদন সামৰিছোঁ।

## ৬৩তম বাৰ্ষিক প্ৰতিভা সন্ধানী সপ্তাহৰ সাহিত্য প্ৰতিযোগিতাৰ বিচাৰকৰ মন্তব্য আৰু ফলাফল

**প্ৰবন্ধ প্ৰতিযোগিতা ঃ (বিষয় - বিশ্বমন্দা)**

প্ৰথম স্থান ঃ দম্বৰ জ্যোতি ৰাজখোৱা (একাদশ শ্ৰেণী)
দ্বিতীয় স্থান ঃ মানোজ কুমাৰ দাস (একাদশ শ্ৰেণী)
কুঞ্জিল কুমাৰ কোঁচ (স্নাতক দ্বিতীয় বৰ্ষ)
তৃতীয় স্থান ঃ উৎপল ভৰ্ধৰা (স্নাতক তৃতীয় বৰ্ষ)

**গল্প প্ৰতিযোগিতা ঃ (বিষয় - স্ব-ইচ্ছাৰ ভিত্তিত)**

প্ৰথম স্থান ঃ প্ৰদীপ বৰা (স্নাতক প্ৰথম বৰ্ষ)
দ্বিতীয় স্থান ঃ পৃথ্বীৰাজ গগৈ (দ্বাদশ শ্ৰেণী)
তৃতীয় স্থান ঃ ডিম্পী গগৈ (স্নাতক দ্বিতীয় বৰ্ষ)
বিচুকনি বঁটা ঃ উৎপল ভৰ্ধৰা (স্নাতক তৃতীয় বৰ্ষ)

**কবিতা প্ৰতিযোগিতা ঃ (বিষয় - মানুহৰ ভৱিষ্যত)**

প্ৰথম স্থান ঃ পৃথ্বীৰাজ গগৈ (দ্বাদশ শ্ৰেণী)
দ্বিতীয় স্থান ঃ হিমাংশু ৱাইলুং (দ্বাদশ শ্ৰেণী)
তৃতীয় স্থান ঃ জাহ্নৱী সোনোৱাল (দ্বাদশ শ্ৰেণী)

**সম্পাদকলৈ চিঠি প্ৰতিযোগিতা ঃ**

প্ৰথম স্থান ঃ সৌৰভ জ্যোতি গগৈ (স্নাতক দ্বিতীয় বৰ্ষ)
দ্বিতীয় স্থান ঃ মনালিছা বৰঠাকুৰ (স্নাতক দ্বিতীয় বৰ্ষ)
তৃতীয় স্থান ঃ উৎপল ভৰ্ধৰা (স্নাতক তৃতীয় বৰ্ষ)

**– বিভূতি ভূষণ বৰুৱা**
আলোচনী সম্পাদক
২০০৮-০৯ বৰ্ষ



# সাধাৰণ ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰসিদ্ধ পণ্ডিত যোগীৰাজ বসুৰ স্মৃতি বিজড়িত ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত অধ্যয়ন কৰিবলৈ পোৱাটোক মই মোৰ জীৱনৰ বাবে পৰম সৌভাগ্য বুলি গণ্য কৰোঁ। তাতোতকৈয়ো মোৰ বাবে গৌৰৱময় আৰু মহত্বপূৰ্ণ কথাটো হ'ল যে, ২০০৮-২০০৯ বৰ্ষৰ বাবে ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিবলৈ সুযোগ লাভ কৰাটো। এইখিনিতে যিসকল ছাত্ৰ-ছাত্ৰীৰ উৎসাহ আৰু চেষ্টাৰ ফলত এই মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ক্ৰীড়া বিভাগৰ সম্পাদক ৰূপে সেৱা আগবঢ়োৱাৰ সুযোগ পালো সেইসকল ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ক্ৰীড়া সম্পাদক হিচাপে নিৰ্বাচিত হোৱাৰ পাছৰে পৰা মই আন্তৰিকতাৰে কাম কৰাত মনোনিৱেশ কৰিছিলো। যাতে মহাবিদ্যালয়ৰ প্ৰকৃত খেলুৱৈ সকলে খেলাৰ বাবে মহাবিদ্যালয়ত এখন 'প্লেটফৰ্ম' পায়। মহাবিদ্যালয়ৰ বাৰ্ষিক প্ৰতিভা সন্ধানী সপ্তাহটো ক্ৰীড়া প্ৰতিযোগিতাসমূহক জাকত জিলিকা কৰিবলৈ মই যত্নৰ ত্ৰুটি কৰা নাছিলো। এই আপাহতে সহযোগিতা তথা দিহা-পৰামৰ্শৰে অনুপ্ৰাণিত কৰা স্বনামধন্য শ্ৰদ্ধেয় শিক্ষাগুৰু সকলৰ প্ৰতি মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা নিবেদিলো। সকলো সময়তে সহযোগিতা আগবঢ়োৱা সতীৰ্থ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱী সকলোলৈ এই প্ৰতিবেদনৰ জৰিয়তে ধন্যবাদ জনালো। সদৌ শেষত মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুল ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা মাগিলোঁ। জয়তু কানৈ মহাবিদ্যালয়।

**— শ্ৰী দীপক গগৈ**
সাধাৰণ ক্ৰীড়া বিভাগৰ সম্পাদক
২০০৮-০৯ বৰ্ষ

---

## Events

| **Boys** | **Result of the Marthan** |
|---|---|
| Kukil Kumar Konch | 1st |
| Subasis Borah | 2nd |
| Sandipan Gogoi | 3rd |

| **Girls** | |
|---|---|
| Ranjan Borah | 1st |
| Jayanta Hazarika | 2nd |
| Susmita Saikia | 3rd |
| Rupali Sonowal | 3rd |
| Rajashree Moran | 3rd |

❖❖❖



# REPORT OF THE SOCIAL SERVICE SECRETARY

"Purity, patience and perseverance are the three essential to success and above all Love" ----

-- Swami Viveknanda

At the very first I would like to convey my sincere thanks for giving me such a wonderful opportunity to serve as the "Social Service Secretary" for the session 2008-09 of D.H.S.K. College Dibrugarh. This has become possible due to the untiring efforts made by our Principal Sir, teachers, Secretary incharge, Union members and my friends and many students of our College. For all of you my heartiest thanks and gratitude.

I am also glad to say that in this one year of my working, I have gone through many duties and I hope that I had been able to promote all round development. At the very beginning, my first duty was to clean the college premises, which started before the college week and ended with the Fresher's Day.

In the middle of our session I and other Union members have participated in various events and seminars and also in Inter College Competition. I feel proud to say that in this year we have got "The Best College" award.

Education in Assam must always receive to priority. Unless our people are educated properly in an integral manner, the state has little chance of making progress, I would like to mention here that D.H.S.K. College Dibrugarh is one of the many educational institutions in the state which have rendered substantial contribution to the progress of the State. It is note-worth that D.H.S.K. Dibrugarh occupies a place of pride in the field of education.

At last I would like to thank one again. At last I convey my best wishes for the bright future of our college and its members for their noble venture.

Long Live Student's Union

DHSK College

Yours Sincerely

**Nicholas Roy**

**Social Service Secretary**

2008-09



# REPORT OF THE MINOR GAMES SECRETARY

Dear Kanoians,

At the very outset of this column I would like to convey my love and regards to each and every Kanoian. It's really a very good privilege for me to get down a few lines and I am glad to take this chance.

After taking the charge of the office I had to put on the activities of different competitions of badminton, volleyball and kabaddy. This was really a great opportunity for me to serve the college students. And I thought of doing it well, but at the same time I was also feeling very nervous as it was the first time for me to handle such a big responsibility. But I am greatful very much to Prof. D. Basnet my in-charge under whose guidance I was able to take the further step. In each and every step, he was always beside me. And its only because of this I was able to solve m duties.

I would also like to thank the participants who helped my by their performance of attaining punctuality.

And at last but never the least I would like to convey my heartiest thanks to all my friends who lifted me up to stand for this particular post.

Lastly, I would like to tell one thing to each and every student's including myself to feel that this college is our own. Every one should say to oneself that its my college and always look forward for its upliftment.

Long Live Student's Union

DHSK College

Yours Sincerely

**Biswajit Borah**

**Minor Games Secretary**

**2008-09**



# সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদনৰ আৰম্ভণিতে সেই সকলৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা আৰু স্নেহভৰা ধন্যবাদ জনাইছোঁ, যি সকলৰ আন্তৰিক মৰম আৰু বিশ্বাসে মোক কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাংস্কৃতিক সম্পাদকৰ দৰে এক গুৰু দায়িত্ব পালন কৰিবলৈ সুযোগ দিলে।

সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাবে নিৰ্বাচিত হৈ ছাত্ৰ একতা সভাৰ কাম-কাজত নিয়োজিত হোৱাৰ লগতে নিজৰ বিভাগটোৰ বিষয়ে বহুতো পৰিকল্পনা কৰি পেলাইছিলোঁ আৰু সেয়া বাস্তৱত ৰূপায়িত কৰিবলৈ যত্ন কৰিছিলোঁ যদিও সীমিত সময় আৰু আৰ্থিক সীমাবদ্ধতাই ব্যাঘাত জন্মাইছিল।

মোৰ এবছৰীয়া কাৰ্য্যকালত হৈ যোৱা সকলো কাৰ্য্যই সুকলমে হৈ গ'ল। মহাবিদ্যালয় সপ্তাহ আকৰ্ষণীয়ভাৱেই অন্ত পৰিছিল। ভালে সংখ্যক প্ৰতিযোগীয়ে প্ৰতিটো বিভাগতে যোগদান কৰি প্ৰতিযোগিতাৰ সৌষ্ঠৱ বৃদ্ধি কৰাৰ লগতে আমাক আনন্দিত কৰি তুলিছিল।

শেষত মোৰ কাৰ্যকালটো সুচাৰুৰূপে আগবঢ়াই নিয়াত সহায় সহযোগ আগবঢ়োৱা সকলোলৈকে মোৰ কৃতজ্ঞতা জনাইছোঁ। মোৰ দায়িত্ব পালন কৰোঁতে অবাঞ্ছিত ভুল ক্ষমা কৰিব বুলি আশাৰে প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

জয়তু কানৈ মহাবিদ্যালয়

॥ জয়তু ছাত্ৰ একতা সভা ॥

– **গিৰীৰাজ দেউৰী**

সাংস্কৃতিক সম্পাদক

২০০৮-০৯ বৰ্ষ



# ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

মোৰ প্ৰতিবেদনৰ প্ৰাৰম্ভণিতে মহাবিদ্যালয়ৰ সেৱা আগবঢ়াবলৈ সুবিধা দিয়াৰ বাবে সকলোলৈকে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

মই মোৰ কাৰ্যকালতে ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা হিচাপে কিমান নিষ্ঠা-সততা তথা যোগ্যতাৰ সেৱা আগবঢ়াব পাৰিলো সেৱা আপোনাসৱৰ বিচাৰ্যৰ বিষয়।

মোৰ কাৰ্যকালত প্ৰতিটো কাৰ্যসূচী সুচাৰুৰূপে চলাই নিবলৈ চেষ্টা কৰিছিলোঁ। মহাবিদ্যালয়ৰ সপ্তাহৰ লগতে মোৰ বিভাগৰ খেলসমূহ সুচাৰুৰূপে পৰিচালনা কৰোঁ। এই খেলসমূহত প্ৰতিযোগীৰ সঁহাৰি অতি উল্লেখনীয় আছিল লগতে অন্যান্য ছাত্ৰ-ছাত্ৰীয়েও মোৰ লগতে প্ৰতিযোগীসকলক যথেষ্ট উৎসাহিত কৰিছিল। আশা ৰাখিছো অনাগত দিনবোৰতো ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়ৰ প্ৰতিটো পদক্ষেপতে এনে সঁহাৰি জনাই যাব।

পৰিশেষত, মোক কাৰ্যকালত বিভিন্ন দিশত মোক সহায়-সহযোগিতা তথা দিহা-পৰামৰ্শ দিয়া মোৰ সতীৰ্থসকললৈ কৃতজ্ঞতা জনালোঁ।

জয়তু কানৈ মহাবিদ্যালয়

॥ জয়তু ছাত্ৰ একতা সভা ॥

**– বিনীতা গগৈ**

সম্পাদিকা, ছাত্ৰী জিৰণী কোঠা

২০০৮-০৯ বৰ্ষ

❖❖❖

## যিসকল আজি আমাৰ গৌৰৱ . . .
## . . . কাইলৈ দেশৰ ভৱিষ্যত

### RESULT OF B.A. PART III, (1+1+1) EXAMINATION 2008 (1st Class)

| Sl. No. | Subject | Name | Class | Rank |
|---|---|---|---|---|
| 01 | Economics | Dibeamdhar Chetia | 1st Class with Dstn | 10th |
| 02 | Philosophy | Mouchumi Hazarika | 1st Class Dstn | 1st |
| 03 | Geography | Monalisha Saikia | 1st Class | 28th |
| 04 | Geography | Rakesh Nath | 1st Class with Dstn | 31st |
| 05 | Geography | Bhanoo Manki | 1st Class with Dstn | 37th |
| 06 | Geography | Triloshan Gogoi | 1st Class | -- |

### RESULT OF B.Sc. PART III, (1+1+1) EXAMINATION 2008 (1st Class)

| Sl. No. | Subject | Name | Class | Rank |
|---|---|---|---|---|
| 01 | Anthropology | Manisha Singh | 1st Class with Dstn | 2nd |
| 02 | Botany | Sushma Mishra | 1st Class with Dstn | 16th |
| 03 | Botany | Leena Saikia | 1st Class with Dstn | 21th |
| 04 | Botany | Rinki Das | 1st Class with Dstn | 24th |
| 05 | Botany | Rupa Phukan | 1st Class with Dstn | 28th |
| 06 | Botany | Diana Ethela Monge | 1st Class | 33rd |
| 07 | Botany | Suma Deb | 1st Class with Dstn | 36th |
| 08 | Botany | Asha Rana | 1st Class | 44th |
| 09 | Botany | Madhusmita Bora | 1st Class with Dstn | 45th |
| 10 | Chemistry | Ankur Gogoi | 1st Class with Dstn | 8th |

| Sl. No. | Subject | Name | Class | Rank |
|---|---|---|---|---|
| 11 | Chemistry | Deep Kr. Deka | 1st Class with Dstn | 29th |
| 12 | Economics | Chharugh Shekhar Konwar | 1st Class with Dstn | 1st |
| 13 | Geography | Pallavi Doley | 1st Class | 2nd |
| 14 | Mathematics | Lipi Kalita | 1st Class with Dstn | 3rd |
| 15 | Mathematics | Mrinal Hazrika | 1st Class with Dstn | 4th |
| 16 | Mathematics | Aparajita Sarmah | 1st Class | 9th |
| 17 | Mathematics | Nayan Moni Baruah | 1st Class | 11th |
| 18 | Mathematics | Krishna Moni Deori | 1st Class Dstn | 18th |
| 19 | Mathematics | Geetanjali Pegu | 1st Class | 18th |
| 20 | Physics | Sourav Bhattacharjee | 1st Class | 11th |
| 21 | Physics | Deep Jyoti Ganguli | 1st Class | 14th |
| 22 | Physics | Ajoy Sahu | 1st Class with Dstn | 15th |
| 23 | Physics | Swarup Choudhury | 1st Class with Dstn | 29th |
| 24 | Physics | Partha Protim Phukan | 1st Class | 32nd |
| 25 | Zoology | Gargi Sharma | 1st Class with Dstn | 9th |
| 26 | Zoology | Amrita Mech | 1st Class with Dstn | 10th |
| 27 | Zoology | Santashree Sarma Biswas | 1st Class with Dstn | 15th |
| 28 | Zoology | Violina Bayan | 1st Class with Dstn | 17th |
| 29 | Zoology | Purvita Chowdhury | 1st Class with Dstn | 18th |
| 30 | Zoology | Shehnaj Amin | 1st Class with Dstn | 21th |
| 31 | Zoology | Ravita Pradhan | 1st Class with Dstn | 25th |
| 32 | Zoology | Monikakana Lahkar | 1st Class with Dstn | 33rd |
| 33 | Zoology | Bipasha Gogoi | 1st Class with Dstn | 40th |
| 34 | Zoology | Sunita Dutta | 1st Class | 43rd |
| 35 | Zoology | Palashi Borah | 1st Class with Dstn | 87th |
| 36 | Zoology | Probin Phukan | 1st Class Dstn | 87th |

# PRINCIPALS
# OF
# D.H.S.K. COLLEGE, DIBRUGARH

| | | | | |
|---|---|---|---|---|
| 1. | **Dr. Jogiraj Basu,** M.A. (Triple) | 15-6-1945 | - | 04-12-1963 |
| 2. | **Dr. L.P. Dutta,** M.A., B.L. | 05-12-1963 | - | 28-06-1965 |
| 3. | **Dr. J.R. Basu,** M.A. (Triple) | 29-06-1965 | - | 07-07-1967 |
| 4. | **Shri Sushil Ch. Dutta,** M.A. | 08-07-1967 | - | 23-01-1978 |
| 5. | **Smti. Lakshmida Dutta,** M.A. | 24-01-1978 | - | 12-12-1980 |
| 6. | **Shri Kalyan Kumar Baruah,** M.A. | 13-12-1980 | - | 21-08-1989 |
| 7. | **Shri N.K. Verma,** M.A. i/c | 22-08-1989 | - | 03-12-1990 |
| 8. | **Shri Dimbeswar Chaliha,** M.Sc. | 04-12-1990 | - | 31-05-1997 |
| 9. | **Dr. Siba Kanta Dutta,** M.A. | 01-06-1997 | - | 31-07-2004 |
| | | 12-10-2004 | - | 13-12-2004 |
| | | 17-02-2006 | - | 31-12-2006 |
| 10. | **Smti Alaka Baruah,** M.A. i/c | 02-08-2004 | - | 11-10-2004 |
| | | 14-12-2004 | - | 28-02-2005 |
| 11. | **Shri Bhaben Baruah,** M.A. i/c | 01-03-2005 | - | 31-01-2006 |
| 12. | **Dr. Joy Krishna Mahanta,** M.A. i/c | 01-01-2007 | - | |

# বেলি লহিওৱাৰ ক্ষণত

অৱশেষত অমানিশাৰ এন্ধাৰ ফালি ৬০তম্ কানৈয়ানৰ প্ৰভাই কানৈবাসীলৈ আনিছে এধানি হাঁহি আৰু ঐতিহ্যৰ গৌৰৱ ৰক্ষাৰ বতৰা। আমাৰ কানৈ মহাবিদ্যালয়ৰ সাহিত্য চৰ্চাৰ প্লেটফৰ্মখনিক এইবাৰ তত্বগধুৰ সাহিত্যৰ অনন্ত প্ৰবাহ আৰু জ্ঞান আৰু আদৰ্শৰ প্ৰতীকধৰ্মী অলংকৰণৰ নতুনত্বৰে সৰ্বাংগসুন্দৰ কৰি তোলাৰ সংকল্পটো পূৰ্ণ সাকাৰ নহল। অনভিজ্ঞতাৰে শেনটো হৈ আগবাঢ়ি ফেঁচাটোৰে থমকি ৰ'ব লগা হ'ল। আকাশৰ নীলিমা আনিবলৈ যাওঁতে পূঁজিৰ হিচাপৰ কলীয়া ডাৱৰে নাটনিৰ মজিয়াত মুখ থেকেচা খোৱালে। আনকি সম্পাদনা সমিতিখন গঠন কৰিবলৈ যাওঁতে সদস্য বিচাৰি হাবাথুৰি খাব লগীয়া হৈছিল। আদিৰ পৰা অন্তলৈকে সম্পাদনাৰ কামত ছাত্ৰ-ছাত্ৰীৰ যথোপযুক্ত ইতিবাচক সহাঁৰিৰ অভাৱে বহুসময়ত মোক হতাশ আৰু ক্ষোভিত কৰিছিল। আলোচনীখনৰ সম্পাদনাৰ গুৰুদায়িত্ব মূৰ পাতি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সৃষ্টিৰ তাড়না আৰু সম্ভাৱনাময় সাহিত্য চৰ্চাৰ ফচলেৰে গৰ্ভৱতী কৰি ব্যতিক্ৰমী, সাৰুৱা ছাত্ৰমুখী আৰু মানসম্পন্ন এখনি তত্বগধুৰ তথা আটকধুনীয়া আলোচনী সম্পাদনা কৰাৰ গোঁজমৰা খুঁটিটো বহুসময়ত ঢিলা হৈছিল যদিও একেবাৰেই উভাল খাবলৈ নিদিয়াৰ ফলশ্ৰুতিয়েই এই সংখ্যাৰ কানৈয়ান।

পূৰ্বে সম্পাদনাৰ অভিজ্ঞতা নথকাৰ বাবে হাবাথুৰি খাই ফুৰা সম্পাদকক আস্থা আৰু দায়িত্ব সহকাৰে প্ৰথমটো খোজৰ আঁত ধৰি চিৰদিনৰ বাবে কৃতজ্ঞ কৰিলে আলোচনীখনৰ উপদেষ্টাদ্বয় ড° ঊষাৰাণী বৰুৱা আৰু অধ্যাপিকা ৰূপালীম ঠাকুৰ, তত্বাৱধায়িকা ড° ভাৰতী দত্ত আদি মোৰ চিৰনমস্য অগ্ৰণী ব্যক্তিয়ে।

কাৰ্যভাৰ গ্ৰহণৰ পাছতেই লেখা আহ্বান কৰি চাৰিবাৰকৈ দিয়া জাননী, ব্যক্তিগত চিঠি, অনুৰোধ, অনুনয়-বিনয়, প্ৰবল হেঁচা, দাবি-ধমকি আদি প্ৰথাৰ যোগেদি নূন্যতমসংখ্যক লেখাহে সংগ্ৰহ হৈছিল। এই আপাহতে লেখক-লেখিকা সকললৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। লেখাসমূহৰ প্ৰকাশ যোগ্যতা আৰু মানদণ্ডৰ বিচাৰকাৰ্য্যৰ পিছত যি নূন্যতম আৰু দুঃখলগা সংখ্যক লেখা বাছি উলিওৱা হৈছিল সেইসমূহে আমাক সাগৰ সদৃশ সমস্যাত পেলাইছিল। মুঠৰ ওপৰত জোৰা-টাপলি মাৰি সম্পাদনা কৰিবলগীয়া হোৱাত কিছু বিশেষ ক্ষেত্ৰত স্পষ্ট নীতি অৱলম্বন কৰিব নোৱাৰাৰ বাবে আমি দুখিত।

এই সুযোগতে লেখাসমূহৰ আহিকাকত নিৰীক্ষণ কৰোঁতা ড° ভাৰতী দত্ত, ড° ঊষাৰাণী বৰুৱা আৰু ৰূপালীম ঠাকুৰ বাইদেউলৈ আমি কৃতজ্ঞতা জনাইছো। আন ছাত্ৰ-ছাত্ৰী বা বন্ধু-বান্ধৱীসকলৰ কোনোৰেও কৃতজ্ঞতা জনোৱাৰ সুবিধা নিদিয়াৰ বাবে পৰাপক্ষত সকলোখিনি কাম নিজস্ব বিচাৰ বুদ্ধিৰেই কৰি পেলাইছিলোঁ। বেটুপাত অলংকৰণ আদি সকলোবিলাকতে সম্পাদকৰ নিজস্বতা ফুটাই তুলিবলৈ চেষ্টা কৰিছিলো। আনহাতে যিকোনো মুহূৰ্ততে বিপদে-সম্পদে সহায়ৰ দুহাত মেলি নিচেই কাষত থকা মোৰ ঘনিষ্ঠ বন্ধু কৃষ্ণ নাৰায়ণ বৰুৱালৈ হিয়াভৰা ধন্যবাদ জনাইছো। এই মুহূৰ্ততে স্মৰণ কৰিছোঁ বন্ধু বিজয় চাংমাই, ভণ্টী জাহ্নৱী সোনোৱাল, সন্দীপন, যিসকলৰ সহযোগিতাইহে নিৰ্দিষ্ট কাৰ্য্যসাধন সম্ভৱ কৰি তুলিলে।

পৰাপক্ষত ছাত্ৰ-ছাত্ৰীৰ লেখাক অগ্ৰাধিকাৰ দি আলোচনীখন ছাত্ৰমুখী কৰি তোলাৰ উদ্দেশ্যেৰে অতিথি লেখক আৰু অধ্যাপক-অধ্যাপিকাৰ লেখা সংগ্ৰহত অধিক গুৰুত্ব দিয়া নাছিলো। সেইহেতুকে ছাত্ৰ-ছাত্ৰীসকলে নিজৰ সাহিত্যচৰ্চাৰ প্লেটফৰ্মখনিলৈ যিখিনি আগবঢ়ালে তাৰ মানদণ্ড আৰু শুদ্ধাতিশুদ্ধৰ বিচাৰ পাঠক সমাজলৈ এৰি দিছো। এই সন্দৰ্ভত যিসকল শ্ৰদ্ধাৰ অধ্যাপক-অধ্যাপিকা আৰু অতিথি শিল্পীয়ে কৰ্মব্যস্ততা আৰু যান্ত্ৰিকতাৰ মাজতো নিজৰ মূল্যবান লিখনিৰে আলোচনীখনৰ সৌষ্ঠৱ বঢ়োৱাৰ লগতে মহাবিদ্যালয়খনৰ প্ৰতি তেখেতসকলৰ একাত্মবোধ দেখুওৱালে তেওঁলোকলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু ধন্যবাদ জনাইছো।

আজি যাক ধন্যবাদ দিবলৈ মোৰ ভাষাৰ নাটনি হৈছে, যি প্ৰতিমুহূৰ্ততে মোক আপোন ভাতৃ হিচাপে লৈ বিভিন্ন দিশত উপদেশ, দি ভুল-ভ্ৰান্তিবোৰ আঙুলিয়াই দিয়া অকুণ্ঠ সহৃদয়তা দেখুওৱা শ্ৰদ্ধাৰ প্ৰণৱ ভাজনী দাৰ ওচৰত মই চিৰঋণী হৈ ৰ'লো।

সম্পাদনাৰ কাম আৰম্ভ কৰাৰেপৰা ডি.টি.পি. কে আদি কৰি কানৈয়ানৰ অক্ষৰ বিন্যাসেৰে সাকাৰ কৰাৰ লগতে আন আন বহুতো দিশত মোক আত্মীয়তাৰে সহায়-সহযোগিতা আগবঢ়োৱা **এ.চি. কম্পিউটাৰ নেটৱৰ্ক্**ৰ পৰিয়ালবৃন্দ অঞ্জন দা, বাবা দা, জিতু দা আৰু কমল দালৈ মোৰ সশ্ৰদ্ধ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

কানৈয়ানৰ সম্পাদনাৰ দায়িত্বভাৰ লোৱাৰে পৰা বহু শুভাকাংক্ষীৰ উৎসাহ উদ্দীপনা পোৱাৰ বিপৰীতে বহুসময়ত সন্মুখীন হৈছিলো নেতিবাচক মন্তব্য আৰু কটুক্তিৰ। আলোচনীখনকলৈ বহুতো উচ্চাকাংক্ষা আছিল যদিও মোৰ অনভিজ্ঞতা, পুঁজিৰ হিচাপ, সাহিত্যৰ প্ৰতি ছাত্ৰ-ছাত্ৰী, তথা মহাবিদ্যালয় কৰ্তৃপক্ষৰ মনোভাৱ বিভিন্ন দিশত আহি পৰা সীমাবদ্ধতাৰ আওকণীয়া আৰু বহু ক্ষেত্ৰত কৰা নিজস্ব ভুল-ভ্ৰান্তি আদিৰ যুঁজ-বাগৰৰ ফলশ্ৰুতিত আলোচনীখন নিৰ্ধাৰিত সময়ৰ ভিতৰত আপোনাসৱৰ হাতত তুলি দিব নোৱাৰিলো তাৰবাবে যিসকল কানৈয়ানে মোৰ ওপৰত গভীৰ আস্থা আৰু বিশ্বাস ৰাখি আলোচনীখনলৈ বাট চাই আছিল তেওঁলোকক ক্ষমা প্ৰাৰ্থনা মাগিছোঁ। লগতে 'এইবাৰ আলোচনী ওলাবনে' বুলি দেখামাত্ৰেই প্ৰশ্ন কৰি কেৱল ব্যতিব্যস্ত আৰু বিদ্ৰূপ কৰা সকলোলৈকে মোৰ ধন্যবাদ জনাইছোঁ।

অৱশেষত বুকুত শিল থৈ, আবেগ সামৰি, দায়িত্বৰ বোজা এৰি ন-সাজেৰে, বিভিন্ন আ-অলংকাৰেৰে সালংকৃতা ন-কইনাজনী উলিয়াই পঠিয়াবলৈ হ'ল। এনেদৰেই যাতে মহাবিদ্যালয়ৰ মান অক্ষুণ্ণ ৰাখি কানৈয়ানৰ ভৱিষ্যত সংখ্যাবোৰো ধাৰাবাহিকতা বজাই ৰাখি নিত্য নতুন ৰূপত প্ৰকাশ পাই থাকক তাৰেই কামনা কৰোঁ আহক।

সকলো কানৈয়ানলৈ গভীৰ প্ৰত্যয় আৰু আন্তৰিক শুভেচ্ছাৰে . . .

*সম্পাদক*

# তেতিয়াৰ পৰা এতিয়ালৈ কানৈয়ানৰ সম্পাদকসকল




| | |
|---|---|
| ১৯৪৬-৪৭ | ইৰা দত্ত |
| ১৯৪৭-৪৮ | বিনন্দ্ৰ চন্দ্ৰ বৰুৱা |
| ১৯৪৯-৫০ | ভূপেন্দ্ৰ বৰ পূজাৰী |
| ১৯৫০-৫১ | লক্ষী বৰা |
| ১৯৫১-৫২ | নৰেন্দ্ৰ নাথ গোস্বামী |
| ১৯৫২-৫৩ | খগেন্দ্ৰ মহন |
| ১৯৫৩-৫৪ | নিত্যা হাজৰিকা |
| ১৯৫৪-৫৫ | দূৰ্গা দত্ত ভৰালী |
| ১৯৫৫-৫৬ | উজ্বল শইকীয়া |
| ১৯৫৬-৫৭ | যামিনী ফুকন |
| ১৯৫৭-৫৮ | সুশীল দুৱৰা |
| ১৯৫৮-৫৯ | কিৰণ শৰ্মা |
| ১৯৫৯-৬০ | বিশ্ব বৰুৱা |
| ১৯৬০-৬১ | লুইত দাস |
| ১৯৬১-৬২ | অনিল কুমাৰ হাজৰিকা |
| ১৯৬২-৬৩ | লম্বেশ্বৰ বৰুৱা |
| ১৯৬৩-৬৪ | হেম ওজা |
| ১৯৬৪-৬৫ | মুকুট সিংহ ফুকন |
| ১৯৬৫-৬৬ | ৰজনীকান্ত চেতিয়া |
| ১৯৬৬-৬৭ | কল্পনা দত্ত |
| ১৯৬৭-৬৮ | তৰুণ গগৈ |
| ১৯৬৮-৬৯ | ভীমকান্ত বৰগোঁহাই |
| ১৯৬৯-৭০ | — |
| ১৯৭০-৭১ | মোহন সোনোৱাল |
| ১৯৭১-৭২ | হিতেশ বিকাশ গগৈ |
| ১৯৭২-৭৩ | ডম্বৰু বৰা |
| ১৯৭৩-৭৪ | লক্ষীপ্ৰিয়া দেৱী |
| ১৯৭৪-৭৫ | গিৰিন গগৈ |
| ১৯৭৫-৭৬ | — |
| ১৯৭৬-৭৭ | সঞ্জীৱ বৰা |
| ১৯৭৭-৭৮ | কৃপাল কুমাৰ কোঁৱৰ |
| ১৯৭৮-৭৯ | প্ৰভাত প্ৰাণ কোঁৱৰ |
| ১৯৭৯-৮০ | ৰূপেশ্বৰ শইকীয়া |
| ১৯৮০-৮১ | — |
| ১৯৮১-৮২ | মনোজ কুমাৰ বৰুৱা |
| ১৯৮২-৮৩ | মিণ্টু গগৈ |
| ১৯৮৩-৮৪ | কল্যাণী বৰুৱা |
| ১৯৮৪-৮৫ | — |
| ১৯৮৫-৮৬ | — |
| ১৯৮৬-৮৭ | কামিনী কুমাৰ গোঁহাই |
| ১৯৮৭-৮৮ | নৰজ্যোতি শইকীয়া |
| ১৯৮৮-৮৯ | পানীৰাম ডেকা মৰাণ |
| ১৯৮৯-৯০ | সুনীল ৰাজকোঁৱৰ |
| ১৯৯০-৯১ | সুবোধ কুমাৰ সোনোৱাল |
| ১৯৯১-৯২ | প্ৰভাত কুমাৰ গগৈ |
| ১৯৯২-৯৩ | মৃণাল কুমাৰ গগৈ |
| ১৯৯৩-৯৪ | নৰজিৎ দেউৰী |
| ১৯৯৪-৯৫ | ৰাজীৱ গগৈ |
| ১৯৯৫-৯৬ | মানস প্ৰতীম শৰ্মা |
| ১৯৯৬-৯৭ | সুৰুজ কোঁৱৰ |
| ১৯৯৭-৯৮ | তৰালী গগৈ |
| ১৯৯৮-৯৯ | কান্তা কাবেৰী সোনোৱাল |
| ১৯৯৯-২০০০ | সাৰংগ শংকৰ কলিতা |
| ২০০০-২০০১ | — |
| ২০০১-২০০২ | শ্যামলজ্যোতি গগৈ |
| ২০০২-২০০৩ | — |
| ২০০৩-২০০৪ | বব্ এলিচন দাস |
| ২০০৪-২০০৫ | মানসজ্যোতি হাজৰিকা |
| ২০০৫-২০০৬ | বিশ্বজিৎ চেতিয়া |
| ২০০৬-২০০৭ | কাশ্যপ মহন্ত |
| ২০০৭-২০০৮ | — |



**৬০তম্ সংখ্যাৰ সম্পাদনাত বিভূতি ভূষণ বৰুৱা**

# মহাবিদ্যালয়ৰ ২০০৯ বৰ্ষৰ বিভিন্ন বিভাগৰ প্ৰাচীৰ পত্ৰিকা




KANOIAN
DIBRUGARH H.S. KANOI COLLEGE
INFORMATION AND CAREER GUIDANCE
D.H.S.K. COLLEGE : DIBRUGARH